# আঁচলত অলপ বৈ যোৱা সময়

—ড° মীনাক্ষী তামুলী
সহকাৰী অধ্যাপক(মুৰব্বী),
অসমীয়া বিভাগ

আইনাখন হাতত লৈ দৰ্শনাই ঘূৰাই ঘূৰাই মুখখন লক্ষ্য কৰিলে ঠিক যেন পাটগাভৰু ছোৱালী এজনীয়ে যৌৱনৰ প্ৰথম পুৱাতে প্ৰতিবিম্বহে নিৰীক্ষণ কৰিছে। আগতে তাই নিজকে আইনাত দেখিলে নাৰ্ছিচাচৰ দৰে নিজেই মুগ্ধ হৈ যায়। টনা টনা চকুকেইটা, সুন্দৰ নিমজ চেলাউৰি, সুগঠিত কঁপাল, বিজ্ঞাপনৰ ছোৱালীকেইজনীৰ দৰে মসৃণ গুলপয়া গাল, সুন্দৰ ওঁঠজুৰিত খেলি থকা কমনীয় হাঁহিৰে খন্তেকৰ বাবে তাই হৈ পৰে সপোন বিভোৰ। তাই ড্ৰেছিং আইনাখনৰ ওচৰলৈ আহিল। আজি কিছুদিনৰ পৰা তাই লক্ষ্য কৰিছে তাই কিছু সলনি হ'ব ধৰিছে। আগতে মুখখন শুকাই গ'লে দিনটোত পানী কেইগিলাছমান খালেই মুখখন আকৌ আগৰ দৰে মসৃণ, নিমজ হৈ পৰে। কিন্তু এতিয়া দিনটোত দহ-বাৰ গিলাছ পানী খায়ো আগৰ দৰে সতেজ অনুভৱ কৰা নাই। মৰ্নিং ৱাক, ইভিনিং ৱাকৰ সময় বঢ়াই দিও সুফল পোৱা নাই। হাতৰ আঙুলিৰ শিৰাবোৰ লাহে লাহেপ্ৰকট হৈ পৰিছে। হাতৰ ঠাবিৰ মঙহবোৰ যেন পকা কঁঠালৰ দৰে ওলমি পৰিবলৈ আৰম্ভ কৰিছে। কোমল ঢেঁকীয়াৰ আগবোৰৰ দৰে আঙুলিবোৰৰ মঙহ যেন এতিয়া হাড়কেইডাল এৰি পলাবৰ উপক্ৰম কৰিছে। ডিম্বাকৃতিৰ মুখখনৰ থুঁতৰিটোৰ তলতে যেন মঙহৰে আন এটা থুঁতৰি নতুনকৈ হ'বলৈ আৰম্ভ কৰিছে। ঔটেঙাৰ পাহবোৰৰ দৰে গালকেইখন যেন মাজতে ভাঙি দুখন নতুন গালত পৰিণত হৈছে। তিৰবিৰাই থকা দুচকুৰ দীপ্তিময় শোভা দেখি এদিন যে ইউনিভাৰ্চিটিত তাইৰ সহপাঠী দিগন্তই কৈছিল—'তোমাৰ চকু দুটা দেখিলে কবিতা লিখিবৰ মন যায়।' সেই চকু দুটাই যেন সৌন্দৰ্য গৰিমা হেৰুৱাই ম্লান হৈ পৰিব ধৰিছে আৰু চকুৰ কাষতে এইবোৰ ৰিংকল্! এইবোৰ আঁতৰাবলৈকে হেনো জেকছনে একৈশ বাৰ কছমেটিক চাৰ্জাৰী কৰাইছিল। তাই উঠন কলডিলৰ বুকুখনলৈ চালে, নাই সেই সৌন্দৰ্য হেৰাই গৈছে। কঁকালৰ কাষত অলপ অলপকৈ মঙহ বাঢ়িবলৈ ধৰিছে তিনিটামান ভাজ হৈ। কান্ধৰ ওচৰৰ মঙহখিনি বঢ়াৰ বাবে ডাক্তৰে গাৰু নোলোৱাকৈ শুবলৈ কৈছে। আটিল পিয়াঁজৰ নলৰ দৰে বাহুৰ ঠাৰি কেইডালো ৰ'দত লেৰেলি যোৱাৰ দৰে ওলমি পৰিছে। তাই লাহে লাহে ড্ৰেচিং আইনখনৰ সন্মুখলৈ গৈ তন্ন তন্নকৈ নিৰীক্ষণ কৰিলে। কিলাকুটিৰ ভাজত যেন সৰলৰেখা কেইডালমান হ'বলৈ আৰম্ভ কৰিছে। লাহে লাহে এক সৰ্বগ্ৰাসী ভয়ে যেন তাইৰ অন্তৰাত্মা কঁপাই দিলে। কোঠাটোৰ ইমান পোহৰৰ মাজতো তাইৰ এনে লাগিল একধৰণৰ অন্ধকাৰেহে যেন তাইক গ্ৰাস কৰাৰ উপক্ৰম কৰিছে। আপোনা-আপুনি তাইৰ দুচকুৰ পৰা পানী ওলাবলৈ উপক্ৰম কৰিলে।

'কি হেই, কিমান চোৱা আৰু নিজৰ দেহাটো, কলেজ নোযোৱা নেকি?' উছপখাই উঠিল তাই চন্দনৰ মাতত। 'ও যাওঁ ৰ'বা। এটা কথা কওঁনে তোমাক...।' কথাষাৰ কৈ বৈ গ'ল তাই। চন্দনক যেন বহুত দিন

তাই দেখা নাই এনে ভাবত নিৰীক্ষণ কৰিলে। হয়! চন্দনৰ মুখতো একেই আঁকবাকবোৰ। ডিভিটোৰ ওচৰত যেন পথাৰৰ মাটিহে ফাট মেলি মানচিত্ৰৰ অংকন কৰিছে। তাইতকৈ আঠ বছৰৰ ডাঙৰ চন্দনো তেনেহ'লে...।

'কি হ'ল একেথিৰে চাই আছা যে!'

'শুনাচোন,! আমি বাৰু বুঢ়া হ'বলৈ আৰম্ভ কৰিছো নেকি?'

'হুঙ্ক! বুঢ়া হ'বলৈঙ্গ হ'বলৈ নহয় হৈছোৱেই। সেইটোনো কি ডাঙৰ কথা। বয়সৰ লগে লগে বুঢ়া হ'মেই।'

তাই লৰালৰিকৈ কাপোৰ সাজ পিন্ধিলে। আগতে খুব উজ্জ্বল ৰঙৰ কাপোৰ ভালপোৱা তাইৰ আজিকালি পাতল ৰঙৰ কাপোৰহে হাতত উঠে। ডেউকা মেলা সময়ৰ সোঁতে কেতিয়া তাইৰ মনলৈ এনে পৰিৱৰ্তনবোৰ আনিছে তাই নাজানে।

'ওঁ আহা! আহা! দেৰি হৈছে। তোমাক থৈ মই আকৌ এল আই চি অফিচলৈ যাব লাগিব। মানে জীৱন বীমা। শব্দটো যেন আজি তাই নতুন অৰ্থ বিচাৰি পালে।

'শুনাচোন, মোৰ দেহত বয়সৰ চাপ বাৰু মোৰ লগৰবোৰতকৈ বেছিকৈ পৰিছে নেকি?'

'সেয়া, তোমাৰ আকৌ একে কথা। তুমি তোমাৰ বয়সৰ সকলোবোৰতকৈ বহুত কমবয়সীয়া যেন লগা হৈ আছা।হ'ল? এতিয়া নামা, তোমাৰ বাছ ৰৈ আছে।

তাই চন্দনলৈ পোন্দোৱাকৈ চাই লাহেকৈ নামি গ'ল। মনৰ খেলিমেলি ভাববোৰ জোকাৰি থৈ নতুন উদ্যমেৰে বাছখনৰ ফালে অগুৱাবলৈ লওতেই বাছখনৰ হেন্দিমেনটোৱে মাত লগালে—

'খুৰী এইফালে আহক। এইফালে আহক।' ইমান সময় দমি থকা খংটো যেন আকৌ ভমককৈ জ্বলি উঠিল।

'বাপেৰৰ ঘৰৰ খুৰী পাইছ'! ননচেন্স, মাত এটা লগাব নাজানে। মুখ ফুটাই একো নক'লে তাই। ভয় লাগিল জানোচা সি ওলোটাই খুৰীক খুৰী বুলি নকৈ আন্টি বুলি ক'ম নেকি জাতীয় বাক্যই কিজানি ওলাই যায়। যিহে মুখ ইহঁতৰ। তাই নীৰৱে গৈ সি দেখুৱাই দিয়া ছিটত বহি পৰিল। গোটেই ৰাস্তাটোত তাই চিনাকি মানুহবোৰৰ মুখবোৰ লক্ষ্য কৰিলে। কাৰোবাৰ দাঢ়িখিনি পকিছে, কাৰোবাৰ চুলিবোৰ সম্পূৰ্ণ ৰঙা, কাৰোবাৰ হাত, মুখমণ্ডলৰ ছাল মুঠতে তাই সকলোতে...।

কলেজত উপস্থিত হৈ তাই প্ৰথমে ক্লাছ এটা কৰি ল'লে। বহুদিনৰ পিছত জুলাই মাহৰ পৰা ক্লাছ আৰম্ভ হৈছে। নতুন নতুন মুখবোৰ দেখি ভাল লাগিল। কিন্তু এয়া কোন! তাই প্ৰথম কলেজলৈ আহি ভাৰাঘৰত থকা মানুহঘৰৰ ল'ৰাটোৱে কলেজ পালে। তাই যেতিয়া প্ৰথম আহিছিল সি প্ৰাইমাৰী স্কুলতেই আছিল। নিজৰ ঘৰলৈ যোৱাৰ পিছৰ পৰা সিহঁতৰ একো খা-খবৰ পোৱা নাছিল।

'পেহী! আপোনাৰ আগফালৰ চুলিকেইডাল পকিব ধৰিছে!'

উস! কি যাণ্ত্ৰণা, তিনিমহলীয়া বিল্ডিঙৰ ওপৰৰ পৰা জাঁপ মাৰি পৰিবৰ মন গ'ল তাইৰ। হয় সিহঁত তাইৰ দূৰ সম্বন্ধীয় কিন্তু কলেজত তাই তাৰ 'মেম'। নতুনকৈ আহিছেতো সেইবাবে নাজানে। ইয়াক ভালকৈ মছলা দিব লাগিব। 'ও ৰং সানিবলৈ পাহৰিলো।' মিছিকিয়া হাঁহি এটাৰে তাই সুধিলে— 'ভালে আছনে?' লৰালৰিকৈ তাই আঁতৰি আহিল।

ক্লাছ কৰি আহোতে বাৰটা বাজি গ'ল। ভালেই হ'ল এই সময়খিনি তাইৰ বৰ প্ৰিয়। কিয়নো আটাইকেইজনী এই সময়খিনিত লগ হয়। আটাইকেইজনী মানে বীনা, বন্দিতা, আভা আৰু তাই। কেন্টিনত চাহ খাবলৈ গৈ তাই বীনাক লক্ষ্য কৰিলে। বীনা স্বাস্থ্য সচেতন মহিলা। আজি প্ৰথমবাৰৰ বাবে তাইৰ মুখখন দেখি বেয়া লাগিল, ৰাতিপুৱা আইনাত দেখা তাইৰ মুখখনতকৈয়ো বেছিকৈ ভাগি গৈছে তাইৰ





মুখখন। গল্লাত কামোৰ দি বন্দিতা বাইদেৱে চিঞৰি উঠিল।

'উস! এই যে দাঁতকেইটাৰ পৰা ৰক্ষা নোপোৱা হৈছো।'

'মানে।' আটাইকেইজনীয়ে চিঞৰি উঠিল।

'বুঢ়ী হ'লো আৰু বুজিছা আজি কিছুদিনৰ পৰা দাঁতৰ গুৰিবোৰ আপোনাআপুনি বিষাবলৈ ধৰিছে। বাঁওফালৰ পেটৰ চুকটোতে দেখোন কিবা এটাই খোচ মাৰি থাকে। বেছিদিন নাথাকো আৰু বুজিছা।'

'ধ্যেৎ কি যে কয় বাইদেৱে। ব'বচোন আমাৰ জীৱন আৰম্ভ হৈছেহে। চল্লিছত হেনো জীৱন আৰম্ভ হয়।'

আটাইকেইজনীয়ে হাঁহি-ধেমালিৰে বন্দিতা বাইদেউৰ দুখ পাতলাই দিলে যদিও তাইৰ মনৰ মাজত এটা অহেতুক দুখে যেন কিলবিলাবলৈ ধৰিলে। সিহঁত যোৱাৰ আগে আগে আহি পালে ইন্দ্ৰাণী বাইদেউ। আটাইকেইজনীলৈ এবাৰ চাই চকী এখন টানি ক'লে— 'মই শুনিছো নহয় তোমালোকৰ কথাবোৰ। তোমালোকৰ নিৰাশজনক কথাবোৰ শুনি মই কিন্তু একেবাৰে ভাল পোৱা নাই দেই। মোৰ আকৌ কি জানা ম'বাইল লাভ কৰিবলৈ মন যায়। আজিকালিৰ ল'ৰা-ছোৱালীয়ে প্ৰেম কৰে কি সুন্দৰ বুদ্ধিদীপ্ত মেছেজ পঠিয়াই ফোনত চাবাচোন। ইস্। মই যে ভাবি থাকো কোনোবাই যদি মোলৈও এনে মেছেজ পঠালেহেঁতেন কিমান ভাল লাগিলহেঁতেন ন'?

হাঁহিৰ ৰোল উঠিল। বন্দিতা বাইদেৱে ক'ল— 'আপুনি ভিনিদেউকে ক'ব মেছেজ দিবলৈ।'

'ই হৈছে। আমাৰটোৱে ফোনটো কেৱল ৰিচিভ কৰিব জানে। নাম্বাৰ ছেভ কৰিবলৈও মোকহে মাতে। আৰু মেছেজ পঠালেও কি লিখিব জনা আছে— বেছিকৈ ঠাণ্ডা নলগাবা দেই, অহা সপ্তাহত তোমাৰ ছেমিনাৰ আছে। ইউ জি চিৰ অফিচত গৈ তোমাৰ এম আৰ পিৰ খবৰটো বাৰু ময়ে লৈ আহিম। হঃ!'

আটাইকেইজনীয়ে গিৰ্জনী মাৰি হাঁহিবলৈ ধৰিলে। 'ব'বা! ব'বা! ভাল খবৰ আছে নহয়। ৰাছিয়াৰ বিজ্ঞানীয়ে বয়সৰ চাপ নপৰাকৈ ৰাখিবৰ বাবে ঔষধ আবিষ্কাৰ কৰিছে। কেইবছৰমানৰ ভিতৰতে সুলভ হ'ব সকলোতে। পিছে! ৰীণা তোমাক যে মই আলোচনীকেইখন আনিব দিছিলো আনিছিলানে?' ইন্দ্ৰাণী বাইদেৱে সুধিলে।

'অ' যা। পাহৰিয়ে থাকিলো কি যে হৈছে আজিকালি কথাবোৰ দেখোন পাহৰিয়েই থাকোঁ। যোৱাকালি ছোৱালীজনীয়ে প্ৰজেক্টৰ বস্তুৰ লিষ্ট এখন দিছিল নিবলৈকে পাহৰিলো। আজি গৈয়ে ভৰাই থ'ম। পাৰিলে মিছকল এটা দিব।' ৰীণাই দোষী দোষী ভাবেৰে ক'লে।

'এ ৰ'বা! মোৰ আকৌ মনত থাকেনে নাথাকে।'

দৰ্শনাই সন্তৰ্পণে লক্ষ্য কৰিলে তাইৰ দৰে কথা পাহৰা বেমাৰ সিহঁতৰো আৰম্ভ হৈছে। যোৱাকলি চন্দনৰ অফিচৰ কাগজখন আনি অন্যমনস্কভাৱে তাই ক'ত পেলালে আবেলিটো বিচাৰোতে গ'ল। যাৰ বাবে চন্দনে টানকৈ কথাও শুনালে। তাই ইমান দিন ভাল পাই অহা সময়েও যেন তাইক প্ৰতাৰণা কৰিবলৈ অৰম্ভ কৰিছে।

'এই দৰ্শনা ক্লাছ নাই নেকি? কি ভাবি আছা? আভাই ক'লে— 'অ অ ব'লা।' তাই লৰালৰিকৈ উঠিল। আভা আৰু তাইৰ বয়স প্ৰায় একে সেয়ে দুয়ো আহিবৰ পৰা বান্ধৱীৰ দৰে। তাইৰ এবাৰ সুধিবৰ মন গ'ল তাইৰ মনৰ দৰে বাৰু একে অনুভৱ হৈছেনে আভাৰ।

'আভা শাৰীৰিক আৰু মানসিকভাৱে তুমি বাৰু আজিকালি কেনেকুৱা অনুভৱ কাৰ।'

'মানে তুমি বয়সৰ কথা কৈছা নেকি? কি জানা, মই আৰু অনুৰাগ দুয়োটাই সিদ্ধান্ত লৈছিলো যে আমি বয়সক জয় কৰিম। আমাৰ মনবোৰ কেতিয়াও বুঢ়া হ'বলৈ নিদিও। কলেজত ক্লাছ কৰিম, বন্ধৰ দিনত ঘূৰিম, ফুৰিম, বন্ধু-বান্ধৱৰ সৈতে আড্ডা দিম। মুঠতে

কোনো কাৰণতে নিজক বয়সৰ দাস হ'বলৈ এৰি নিদিম। কিন্তু কি জানা, আজি কিছুদিনৰ পৰা লক্ষ্য কৰিছো শৰীৰে আমাক শান্তিত থাকিব নিদিয়েষ। শৰীৰৰ অংগ-প্ৰত্যংগবোৰে যেন বিদ্ৰোহ কৰি উঠিছে আমাৰ ইচ্ছাৰ বিৰুদ্ধে। ক'ব নোৱাৰাকৈয়ে মাহটোত হাজাৰ-বাৰশ টকা ঔষধত গুচি যায়। অলপ কাম কৰিলেই ভাগৰ লাগে। খোৱাৰ ৰুচিবোৰো দিনে দিনে সলনি হৈ আহিব ধৰিছে। কিন্তু মই কি ভাবো জানা শাৰীৰিক ব্যায়ামৰ দ্বাৰা পৰিচালিত কৰি, মনটোক টেনছনৰ পৰা মুক্তি দি মাজে মাজে পৰিয়াল, বন্ধু-বান্ধৱৰ সৈতে প্ৰকৃতিৰ মাজত কটাই আমি মনটোক সতেজ কৰি ৰাখিব পাৰো আৰু সতেজ মনে আমাক সহজে বুঢ়া হ'বলৈ নিদিয়ে নিশ্চয় নহয়নে বাৰু? মই তেনেকৈয়ে ভাবো।'

কথা কৈ কৈ দুয়ো আহি কেতিয়া কমনৰুম পালে গমেই নাপালে। তাই উপস্থিত হোৱাৰ লগে লগে প্ৰবীণে অলপ দূৰলৈ আঙুলিয়াই দেখুৱালে—

'দৰ্শনা, চোৱাচোন সৌ পেপাৰখনৰ আখৰবোৰ মোৰ চকুৰ আগত নাচি আছে। কি যে হৈছে। চচমা লোৱা অভ্যাস নাই, যেতিয়াই চাও জ্বলি যোৱা যেন পাওঁ। গৱেষণাৰ কামবোৰ সন্ধিয়া মণিব নোৱাৰো। ডাঙৰ বাবাই ৰিডিং দিয়ে, মই লিখি যাওঁ নহ'লে, নিজে লিখাখিনি প্ৰুফ চাবলৈ আকৌ টছ মাৰিব লগা হয়। বয়স হ'ল আৰু বুজিছা।'

'দৰ্শনা, প্ৰবীণদাই আজিকালি মৰাৰ কথা খুব ক'বলৈ লৈছে বুজিছানে? ৰাতুলে ক'লে।

'এৰা নহ'লেনো ম'হৰ যুঁজৰ সপোন সদায় কিয় দেখিবলৈ লৈছো। যমৰজাই পঠাইছে চাগৈ।'

আটাইখিনিয়ে হাঁহি উঠিল। তাই নিজৰ চকুকেইটা এবাৰ আলফুলে মোহাৰি ল'লে আৰু পিছৰ ক্লাছৰ বাবে সাজু হ'ল।

আবেলি চাৰি বজাত তাই আহি ঘৰ পাই মানে দেখিলে চন্দনে ইতিমধ্যে আগতেই আহি ভাত-পানী ৰন্ধা-বঢ়া কৰি তাইলৈ বৈ আছে। ল'ৰা-ছোৱালী দুয়োটা হোষ্টেলত পঢ়ি আছে। ডঙৰ ছোৱালীজনীয়ে এম. বি. এ. আৰু ল'ৰাটোৱে ইঞ্জিনীয়াৰিং পঢ়ি আছে। ছোৱালীজনী ঘৰলৈ আহিলে তাই পিটপিটকৈ দৰ্শনাক সজাই তোলে। তাইৰ মনটো গৰ্বৰে উপচি পৰিল। তাই গা-পা ধুই পৰিস্কাৰ হয় মানে চন্দনে ভাত বেড়ি কৰি থৈছে। তাইক দেখি সুধিলে—

'কি হ'ল মনটো মাৰি আহিছা যে!'

'নাই একো হোৱা নাই। আজি গোটেইকেইজনী লগ হ'লো। সিহঁতকো দেখিছো গোটেইবোৰৰে একেই অৱস্থা, জেণ্টছ কেইজনবো পেটবোৰ ওলাই গৈছে। চুলি পকিছে, লেডীজ কেইজনীৰো অৱস্থাই নাই।'

'সেয়া তোমাৰ আকৌ একে কথা।'

'শুনা, এই সকলোবোৰ সময়ৰ আহ্বান। এই আহবানৰ প্ৰতি ধীৰ-সুস্থিৰ মগজুৰে সন্মুখীন হোৱাটোৱেই হ'ল আটাইতকৈ বুদ্ধিমানৰ কাম। সকলো বয়সৰে এটা সুকীয়া সৌন্দৰ্য আছে। সেই সৌন্দৰ্যক সুস্থিৰভাৱে গ্ৰহণ কৰিব পাৰিলেই মোটামুটি জীৱনটোক ভাল পাব পাৰি। তাকে যদি নকৰা তেন্তে সেই সৰু সৰু কথাবোৰেই বক্ৰ আকৃতিৰে বেসুৰীয়া হৈ তোমাৰ সন্মুখলৈ আহি তোমাৰ অন্তৰাত্মাৰ সৌন্দৰ্য ম্লান কৰিব লগতে ম্লান কৰিব জীয়াই থকাৰ আনন্দখিনিও। মোলৈ চোৱা এবাৰ! কি সুন্দৰকৈ বয়সক স্বাগতম জনাইছো। সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ নকৰি যদি যুঁজত পৰাজিত সৈনিকৰ দৰে আঁতৰিবলৈ চেষ্টা কৰো তেন্তে সময় আমাৰ বাবে হৈ পৰিব এক কালান্তক মূৰ্তিস্বৰূপ, সেয়ে কয় সৰাপাতৰ সংগীতো সুন্দৰ। গতিকে সময়ক স্বাগতম জনোৱা, নহ'লে আমাৰ ল'ৰা-ছোৱালীবোৰ ডাঙৰ হ'ব কেনেকৈহে!'

দৰ্শনা অবাক হৈ গ'ল। গোটেই জীৱন বস্তুবাদী মানুহ বুলি তাই ভৎৰ্সনা কৰা মানুহজনৰ মুখত ইমান সুন্দৰ দাৰ্শনিক কথা। কি সুন্দৰকৈ গ্ৰহণ কৰিছে জীৱনটো। এৰা! দৃষ্টিৰ সৌন্দৰ্যয়ে ছাগে জীৱনৰো সৌন্দৰ্য।





# প্ৰাত্যহিক

—ড° উৎপল নাথ
সহকাৰী অধ্যাপক,
অৰ্থনীতি বিভাগ

হৰেশ্বৰে কোনোদিনেই আশা কৰা নাছিল যে তাৰ দৰে ডাল-দৰিদ্ৰ এজনৰ জীৱনলৈ ইমান আনন্দদায়ক দিন এটা কেতিয়াবা আহিব। এমুঠি আহাৰৰ বাবে হাহাকাৰ কৰিব লগা হোৱা, এক দিস্তা বহীপাতৰ বাবে ফেঁকুৰি ফেঁকুৰি ভাগৰি পৰা তাৰ একমাত্ৰ ছোৱালী তাহানিৰ সেই কণমানি মনালিছাজনী আজিৰ পৰাই কলেজীয়া ছোৱালী হ'ব। কলেজত আজি তাইৰ নামভৰ্ত্তিৰ দিন। গাঁৱৰ স্কুলৰ পৰা পৰীক্ষা দি সংস্কৃত আৰু অসমীয়াত লেটাৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে তাই। মনালিছাৰ লগতে আজি হৰেশ্বৰো নগৰৰ কলেজখনলৈ যাব। মনালিছাই আগদিনাই ওচৰৰ মাধৱ মাষ্টৰৰ ঘৰলৈ গৈ দেউতাকৰ পুৰণা লংপেণ্টটো ইস্ত্ৰি কৰি আনি থৈছে। তাই জেদ পাতিছে— দেউতাকে আজি লংপেণ্ট পিন্ধিবই লাগিব। হৰেশ্বৰে বহুদিনৰ মূৰত আজি লংপেণ্ট পিন্ধিছে। অকণমান লাজ লাজেই লাগিছে তাৰ। ঘৈণীয়েক ৰূপালীয়ে নিজ হাতে বৈ দিয়া গামোচা পিন্ধিয়েই সি ইমানদিনে ব'দ-বতাহ নেওচি ৰিক্সাৰ পেডেল ঘূৰাই আহিছে।

এৰা মাধৱ মাষ্টৰে পাঁচশ টকাতে কিনি দিয়া পুৰণা ৰিক্সাখনেই তাৰ উপাৰ্জনৰ একমাত্ৰ সম্বল। মাধৱ মাষ্টৰ তাৰ বাবে ভগৱান। আকালৰ দিনত একমাত্ৰ মাধৱ মাষ্টৰেই তাক চাউল ধাৰলৈ দিছে। মনালিছাক পঢ়াবলৈ তাক সাহস দিছে, প্ৰেৰণা দিছে। এই যে মনালিছা— এই নামটোও মাধৱ মাষ্টৰেই থোৱা। ইমান ধুনীয়া ধুনীয়া নামবোৰ হৰেশ্বৰহঁতৰ মগজুৱে চুকি নাপায়। আঘোণ মাহত জন্ম হৈছিল বাবে তাইৰ নাম আঘোণীহে থ'ব খুজিছিল সি। চাওঁতে চাওঁতেই তাৰ চকুৰ মণি আঘোণীজনী বৰ এজনী হ'ল। আজি মেট্ৰিক পাছ কৰিলে। এদিন কলেজো পাছ কৰিব।

কলেজীয়া জীৱনতে হয়তো তাইক কোনোবা ল'ৰাই ভাল পাব আৰু এদিন হয়তো হৰেশ্বৰ আৰু ৰূপালীক বুকু উদং কৰি তাই চিৰদিনৰ বাবে আন এখন ঘৰলৈ গুচি যাব। কথাটো ভাবিলেই হৰেশ্বৰৰ বুকুখন সুদা সুদা লাগে। তাৰ বুকুৰ মনাজনী— যিজনীয়ে 'আমাৰ ভাইটিটো কেতিয়া হ'ব দেউতা' বুলি কৈ কৈ সদায় তাক আমনি কৰিছিল, যিজনী ছোৱালীক ফটাকানিৰে ভায়েক সাজি দিও সি তত পোৱা নাছিল; সেই একেজনীয়েই ৰত্নেশ্বৰ মাষ্টৰৰ ছোৱালীজনী আৰু সোনাৰাম কম্পউণ্ডাৰৰ ল'ৰাটোতকৈও বেছি নম্বৰ লৈ পাছ কৰিলে। এইজনী মনাৰ বাবেইতো সি স্কুলৰ মিটিঙত এদিন হ'লেও চকীত বহিব পাৰিছে! ভাবি ভাবি হৰেশ্বৰৰ মনটো সীমাহীন আনন্দৰ আতিশয্যাত ওপঙি পৰিল। মনাক এবাৰ জোৰেৰে সাৱটি ধৰি গালে-মুখে চুমাৰে ওপচাই দিবলৈ মন গ'ল তাৰ। কিন্তু তাহানিৰ সেই নাওঠ মনাজনী যে সঁচাকৈ গাভৰুজনী হ'ল। মনাৰ প্ৰতি থকা তাৰ সাগৰ গভীৰ পিতৃস্নেহখিনি সি বাৰু এতিয়া কেনেকৈ যাচিব মনাক!

হৰেশ্বৰ ৰিক্সাখনৰ কাষলৈ গ'ল। বয়স হৈছে ৰিক্সাখনৰ। চেইনডাল সলাব লগা হৈছে। আগ চকাৰ ৰিংটোৰ জোৰ কমিছে। ছিটক'ভাৰটোও এৰাই গৈছে। বৰ মৰমেৰে সি ছিটটোৰ পিঠিখনত এবাৰ হাত ফুৰাই

চালে। বহুদিন সি এই ৰিক্সাখনৰেই বহুতো কলেজীয়া ল'ৰা-ছোৱালীক অনা-নিয়া কৰিছে। ভাড়াৰ নামত কোনোবাই তিনি টকা দিছে। কেতিয়াবা কোনোবাই চাৰিটা টকা আৰু কোনোবাই কেতিয়াবা এটা ফুটা কড়ি নিদিয়াকৈও দপ্‌দপাই নামি গৈছে। ভাড়াটো খুজিবলৈ গ'লে হৰেশ্বৰে ধমকি খায়। এনেবোৰ মুহূৰ্তত সি নীৰৱে থাকে। জবাব দিবলৈ তাৰ সাহসে নোকোলায়। তাৰ সন্মুখতে যতীন, হৰেণহঁতক এনেবোৰ ল'ৰাই নিঃসংকোচে ঘূচিয়াই দিয়া সি দেখিছে। ৰিক্সাৱালা হ'লেও তাৰ বাবে টকাতকৈ আত্মসন্মান বহুত বেছি গুৰুত্বপূৰ্ণ। পুৰণা ঘড়ীটোৰ কাঁটাকেইডাল দুবাৰমান জুমি জুমি চাই সি ক'লে—

ঃ মনা, নটা বাজিলেই। তোৰ হোৱাই নহিনে?

ঃ হৈছে দেউতা, ৰবি গৈ আছোঁ।

মনালিছা ওলাই আহে। পিছে পিছে মাক। মাকৰ চকুত চকুপানী। আনন্দ-বেদনা মিশ্ৰিত জলাধাৰ। মনালিছাৰ হাঁহি ভৰা মুখখনলৈ চাই মাকে আঁচলেৰে চকুপানীখিনি মচি লয়। মনালিছাক আজি খুব ধুনীয়া দেখাইছে। দিনকদিনে ধুনীয়াৰ পৰা ধুনীয়াজনী হৈ গৈ আছে তাই। অতজনী হ'লহি। তথাপি তাই ইমান বাধ্য। তাই যে ইমান সহজ-সৰল। কোনোদিনে তাই বাপেকক এযোৰ কাপোৰৰ বাবে আপত্তি কৰা নাই। যোৱাটো বিহুতো সিহঁতে তাইক এযোৰ কাপোৰকে দিব নোৱাৰিলে। লঘোণৰ দিনতো তাই জানো কেতিয়াবা কান্দিছিল? ৰংচুৱা কাপোৰ নাই বুলি কেতিয়াবা জানো তাই ঠেহ পাতিছিল? ঘৰত ল'বলৈ কেতিয়াবা দেখোন ঘৰত এটোপাল মিঠাতেলো নাথাকে। তথাপি মনালিছাৰ মুখত সদায়ে লাগি থাকে এমোকোৰা প্ৰশান্তিৰ হাঁহি। কিন্তু কলেজীয়া ছোৱালীৰ তথাকথিত দাম্ভিকতাত পৰি এই সহজ-সৰল মনাজনী যদি হেৰাই যায়। কলেজ গেটত যাত্ৰীৰ বাবে বোন্দাপৰ দি থকা এই ৰিক্সাৱালা বাপেককে তাই যদি পাহৰি পেলায়। এনেকুৱা অজান শংকাবোৰে ৰূপালীৰ লগতে হৰেশ্বৰৰো বহল বুকুখনত খুন্দিয়াই থৈ যায়। হৰেশ্বৰৰ শান্ত দুচকুৰ পৰা দুটোপাল চকুপানী ওলাই গৈ মনালিছাৰ মূৰৰ ওপৰতে পৰে। মনালিছাৰ ফুলযেন দুহাতৰ পৰশত তাৰ অশান্ত ভৰি দুখনে শান্তি বিচাৰি পায়। তাইৰ মূৰত হাত থৈ সি আশীৰ্বাদ দি কয়— আই, তই মোক তোৰ লগৰবোৰৰ লগত চিনাকি কৰি নিদিবি দেই।

ঃ কিয় দেউতা?

ঃ মই ৰিক্সা চলাওঁ আই। তোৰ জানো লাজ নালাগিব?

দেউতাৰো যে কথা। মা, মই যাওঁ দেই।

এইবুলি কৈ মনালিছাই পাটগাভৰুৰ চপলতাৰে দেউতাকৰ ৰিক্সাখনত এজেঁজাপে উঠি লয়। নঙলামুখ পাৰ হৈ হৰেশ্বৰো ৰিক্সাত উঠে। নগৰলৈ প্ৰায় এক কিলোমিটাৰ ৰাস্তা কেঁচা। ৰিক্সাখন চলাওঁতে কষ্ট পায় সি। নাক-মুখৰ পৰা ওলোৱা ফু-ফুৰনি শব্দটো জীয়েকৰ পৰা লুকুৱাবলৈ চেষ্টা কৰে। মনালিছাই বুজি পায় দেউতাকৰ কথা। দেউতাকে পিন্ধা চোলাটোৰ কাষলতিৰ কাষৰ ফটাখিনিলৈ চাই চাই তাইৰ চকুযোৰ সেমেকি উঠিব খোজে। চিটচোৰ ইফালে সিফালে দুলি থকা দেউতাকৰ কঁকালটোলৈ চাই বুকুখন আবেগত সিৰসিৰাই যাব খোজে। নগৰলৈ আৰু বহুখিনি বাকী। সোনকালে গৈ পালেই যেন তাই ৰক্ষা পৰে। তাইনো বাৰু কিমানপৰ দেউতাকৰ ভাগৰুৱা দেহটোলৈ এনেকৈ চাই থাকিব পাৰিব।

আগফালৰ পৰা অহা এখন মটৰ চাইকেলৰ শব্দত মনালিছাৰ ভাবনাই গতি সলায়। একেখন মটৰ চাইকেলতে তিনিটা ল'ৰা। ফিচিঙা ফিচিংকৈ মনালিছাৰ উঠন বুকুলৈ চাই সিহঁত ভুৰুংকৈ পাৰ হৈ গুচি যায়। মনালিছায়ো এবাৰ নিজৰ বুকুলৈ চাই দোপাত্তাখন বুকুৰ ওখখিনিলৈ নমাই আনে। যোৱা দুটা বছৰ এনেকৈ বহু ল'ৰাই তাইৰ শৰীৰটোলৈ চাইছে। চাই চাই দূৰৰ পৰা মনে মনে জোখ-মাপ কৰিছে। বেছিভাগ ল'ৰাই এনেকুৱা। সিহঁতৰ শৰীৰতহে চাবলগীয়া একো বিচাৰি নাপাই তাই। কথাখিনি মনতে





পাগুলি মনালিছাই হাতত লৈ অহা কলমটোত অজানিতে এটা চুমা খায়। মেট্ৰিকৰ ৰিজাল্টৰ পিছত শইকীয়া ছাৰৰ পুতেক পলাশে তাইক এই কলমটো উপহাৰ দিছিল। বহুত প্ৰতিভাৰ, বহুত ভাল ভাল গুণৰ অধিকাৰী এই পলাশ। কিমান যে উৎসাহ দিয়ে সি তাইক। কিমান যে নতুন নতুন কথা কয় সি তাইক। পলাশৰ প্ৰতিটো কথাই তাইৰ ভাল লাগে। বৰ আশাবাদী ল'ৰাটো। তাৰ প্ৰতিবাদী ভাষাবোৰ শুনিলে এনে লাগে যেন পৃথিৱীৰ সমস্ত দুষ্ট শক্তিৰ বিৰুদ্ধে যুঁজ দিবলৈয়ে তাৰ জন্ম। আজিৰ এচাম ধ্বংসমুখী যুৱকৰ বিপৰীতে সি হ'ল সৃষ্টিমুখী যুৱ সমাজৰ মূৰ্ত প্ৰতীক। সমাজৰ প্ৰতিজন যুৱকৰে যদি পলাশহঁতৰ দৰে এটি সৃষ্টিকামী মন থাকিলহেঁতেন। প্ৰতিজন যুৱকেই যদি সততাৰে নিজৰ জীৱনাদৰ্শক মহীয়ান কৰিবলৈ বিন্দুমাত্ৰও চেষ্টা চলালেহেঁতেন।

এনেতে ৰিক্সাখনৰ সোঁফালৰ চকাটোত পাছফালৰ পৰা কিবা এটাই খুন্দা মাৰে। চকাটো বেঁকা হৈ যোৱা বাবে তললৈ হালি পৰিল ৰিক্সাখন। একতিয়াকৈ কোনোমতে নপৰাকৈ ৰিক্সাতে বহি ৰ'ল মনালিছা। মটৰ চাইকেলত যোৱা অথনিৰ ল'ৰা তিনিটাই মুহূৰ্ততে হৰেশ্বৰক আগুৰি ল'লে। তাৰ বুকুত খামুচি ধৰি সিহঁতৰ দীঘল চুলীয়াজনে ক'লে—

ঃ চুৰৰৰ বাচ্চা। ছাইড চিনি নাপাব হঁা? দাঁত সুলকি যাব। দে, ফাইন দে। বিছ টকা দে।

ঘটনাৰ আকস্মিকতাত মনালিছাৰ মাত-বোল হেৰাল। শিলপৰা কপৌ এজনীৰ দৰে তাই ৰিক্সাতে বহি ৰ'ল। হৰেশ্বৰে মাথোঁ ভয়ে ভয়ে ক'লে—

ঃ ফাইন আকৌ কিহৰ? মইতো মোৰ ছাইডতে আহি আছিলো। তোমালোকেহে মোৰ চকাটো...

ঃ ঐ চুপ থাক। দাদাগিৰি নুচুতাবি। নাক ভাঙি যাব বুজিছা?

সিহঁতৰ ধমকনিত হৰেশ্বৰৰ ভয়াৰ্ত কণ্ঠস্বৰ তাতেই থমকি ৰ'ল। তাৰ কামিজটোৰ পকেটত হাত ভৰাই নামভৰ্তিৰ বাবে অনা টকাখিনিৰ পৰা দুখন দহটকীয়া নোট সিহঁতে নিজৰ কৰি সামৰি লয়। প্ৰতিবাদ কৰি বাধা দিবলৈ হৰেশ্বৰৰ সাহসে নুকুলালে। সি বুজি পায়, মুখত বিলাতী সুৰাৰ গোন্ধ আৰু হাতত জ্বলন্ত চিগাৰেট লৈ সিহঁতে চিনেমাৰ খলনায়কৰ দৰে আচৰণ কৰি ভাল পায়। তৰ্ক কৰিবলৈ গ'লে তাৰ নাকত ঘুঁচিয়াবলৈও যে সিহঁতে কুণ্ঠাবোধ নকৰে, সেই কথা হৰেশ্বৰে জানে। সেয়ে সি মনালিছাৰ সেমেকা চকুযুৰিলৈ এবাৰ চাই তলমূৰ কৰি থিয় দি ৰ'ল। লেদাৰৰ জেকেট পৰিধান কৰাজনে এমোকোৰা চিগাৰেটৰ ধোঁৱা মনালিছাৰ মুখলৈ ফু মাৰি উৰুৱাই দি সোধে—

ঃ ডাৰ্লিং, কি নাম তোমাৰ?

মনালিছাই একো নকয়। তলমূৰ কৰি কান্ধৰ গামোচাখনেৰে চকুপানী মচা দেউতাকৰ শান্ত আৰু অসহায় মুখখনলৈ চাই তাই ফেঁকুৰি উঠে। ৰিক্সাৰ পৰা দেউতাকৰ ওচৰলৈ দৌৰি নামি যায়। দীঘল চুলীয়াজনে পুনৰ গৰজি উঠে।

ঃ আৰে নাম সুধিছো, নকৰ কিয়?

ঃ তাইৰ নাম মনালিছা। মোৰেই ছোৱালী তাই। বাধ্য ছাত্ৰৰ দৰে উত্তৰ দিয়ে হৰেশ্বৰে।

ঃ আৰে তোৰহে নেকি? টিপ্‌টপ্ মাল বে চাল্লা, ৰিক্সাৱালাৰ ছোৱালীও ইমান ধুনীয়া থাকেনে?

ঃ অ বে গেহেৰা মাল। নীল বৰণীয় চকু, তুলতুলীয়া গাল, তিল ফুলীয়া নাক। অপেস্বৰী, অপেশ্বৰী, সৰগৰ অপেশ্বৰী। হাঃ হাঃ হাঃ...হাঁহি হাঁহি মনালিছাৰ সৌন্দৰ্য বৰ্ণনাত ব্যস্ত হৈ পৰে সিহঁত। মনালিছাৰ ফেঁকুৰণিৰ শব্দ বাঢ়ি যায়। হৰেশ্বৰে প্ৰতিবাদ কৰিবলৈ ভাষাই বিচাৰি নাপায়। মৌনতাই যেন তাৰ দৰে দুখীয়া মানুহৰ বাবে প্ৰতিবাদ সাব্যস্তৰ একমাত্ৰ উপায়। অসভ্যালিৰ জখলাত আৰু এখোপ ওপৰলৈ উঠি দীঘল চুলীয়াজনে পুনৰ কয়—

ঃ পূজনীয় শহুৰ, এইক মোলৈ বিয়া দিবিনে? সুখত ৰাখিম। মহাসুখত। দিবি?

হৰেশ্বৰৰ কান্ধত থপৰিয়াই আন এজনে বৰ

নিৰ্লজ্জভাৱে কয়—

ঃ বঢ়িয়া কথা দোস্ত। ছোৱালীজনী ইয়ালৈকে বিয়া দে। মৰাৰ আগতে নাতি-পুতিৰ মুখ দেখিবি। হাঃ হাঃ হাঃ।

ঃ তোমালোক পঢ়া-শুনা কৰা ল'ৰা। এনেকৈ ক'বলৈ নাপায়। হৰেশ্বৰৰ কথাষাৰ শুনি বলিয়াৰ দৰে সিহঁতে হাঁহে। হাঁহি হাঁহি কয়— হাঃ হাঃ হাঃ পাৰ্টনাৰ। নীতি শিক্ষক ওলালহি। আমাক ই এতিয়া নীতিশিক্ষা দিব। কুইক, কুইক, চল ইহাছে চল। বাই বাই মনালিছা...। বাই বাই মাই ডাৰ্লিং, হাঃ হাঃ হাঃ।

নিলাজৰ দৰে মনালিছালৈ চাই চাই সিহঁতে পশুসুলভ হাঁহি-ধেমালিৰে আঁতৰি যায়। বৈ যায় মাথোঁ মনালিছাৰ উচুপনি আৰু হৰেশ্বৰৰ বুকুৰ কৰুণ হাহাকাৰ। মনালিছাৰ চুলিকোছাৰ মাজত হাত ফুৰাই হৰেশ্বৰে তাইৰ চকুপানীখিনি মচি দিয়ে। ফেকুৰি ফেকুৰি দেউতাকৰ ভাগৰুৱা বুকুৰ মাজত সোমাই পৰে মনালিছা।

ঃ আই নাকান্দিবি। ইহঁত এনেকুৱাই। সোণৰ চামুচ মুখত লৈ ইহঁতৰ জন্ম। আমাৰ দৰে দুখীয়া মানুহবোৰক লৈ ৰং কৰিবলৈ ইহঁতে ভাল পায়। এই হৰেশ্বৰে এনেবোৰ মুহূৰ্ততো ধৈৰ্য ধৰিবলৈ শিকিছে আই। তয়ো শিকিব লাগিব। নাকান্দিবি, নাকান্দিবি।

কোনো ভ্ৰাম্যমাণ থিয়েটাৰৰ নায়কৰ সংলাপৰ দৰে কথাখিনি কৈ হৰেশ্বৰে ৰিক্সাখন টানিব ধৰিলে, বিছটা টকা এতিয়া ক'ত পাব তাৰেই চিন্তাক সাবটি। এই সময়ত মনালিছাই বিছ টকাৰ কথাটো ভাবিব পৰা নাই। আজি তাই প্ৰথমবাৰৰ বাবে দেউতাকক সহায় কৰিবলৈ আৰম্ভ কৰিছে। চকাটো বেঁকা হোৱা বাবে ৰিক্সাখন টানোতে দেউতাকে কষ্ট পায়। সেয়ে তাই দেউতাকে গম নোপোৱাকৈয়ে পিছফালৰ পৰা ৰিক্সাখন ঠেলি গৈছে। মাজে মাজে ববঁকৈ হালি পৰিব খোজে ৰিক্সাখন। তেতিয়া তাই তৎক্ষণাৎ দাঙি ধৰে। সিহঁতৰ দৰে দুখীয়া মানুহক লৈ তামাচা কৰা ভণ্ড মানুহজাকৰ বাবে নগৰৰ মাজআলিৰ এই দৃশ্যটোও যে তামাচাৰ কাৰণ হ'ব, সেই কথা মনালিছাই জানে। তথাপি তাই ঠেলিবই লাগিব ৰিক্সাখন। দেউতাকক তাই সহায় কৰিবই লাগিব। জ্যোৎস্না, ময়ূৰী, ইবাহঁতৰ দৰে সন্তীয়া দাম্ভিকতাত তাই বিলীন হৈ যাব নোৱাৰে। যৌৱনৰ মাদকতাত তাই বুৰ যাব নোৱাৰে। তথাপি তাই ইফালে সিফালে চাই গ'ল। কিজানিবা কোনোবাই সিহঁতৰ এই চৰম অসহায় দৃশ্যটো জুম পাতি পাতি চাইছে। এই সময়তে যদি তাইৰ লগৰ সীমান্ত, অকণ, পৰমাহঁতে তাইক এনেদৰে ৰিক্সাখনৰ এটাফাল দাঙি ঠেলি গৈ থকা দেখা পায়। নাই, নাই, তথাপি তাই ৰিক্সাখন এৰি দিব নোৱাৰে। দেউতাকৰ প্ৰতি তাই অকৃতজ্ঞ হ'ব নোৱাৰে। তাই দাম্ভিক হ'ব নোৱাৰে। তাই অহংকাৰী হ'ব নোৱাৰে। এই পৃথিৱীত তাইৰ জন্ম এজন ৰিক্সাৱালাৰ জীয়েক হিচাপেহে। তাই যিমানেই ধুনীয়া নহওক, যিমানেই শিক্ষিত নহওক কিয়, দেউতাকক তাই কেতিয়াও অৱজ্ঞা কৰিব নোৱাৰে। এইনগৰৰ সমস্ত ডেকাবোৱে যদি ওপৰ মহলাৰ পৰা খিৰিকীৰ পৰ্দা গুচাই তাইলৈ একেথৰে চাই থাকে, তথাপি তাই ৰিক্সাখন ঠেলিব। ঠেলি থাকিব। অকণমামাৰ গেৰেজটো নোপোৱালৈকে ঠেলি থাকিব।

❖❖❖





# ব্যৰ্থ প্ৰেমৰ ক্ষোভত

—শ্ৰীসন্ধ্যা বিশ্বাস
স্নাতক পঞ্চম ষান্মাসিক

হঠাৎ গাৰ কাষতে ব্ৰেক মাৰি ৰৈ যোৱা গাড়ীখনৰ পৰা কোনোবাই 'মৌ' বুলি মতা শুনি থতমত খাই গাড়ীখনৰ ফালে চালে ড° মৌচুমী গোস্বামীয়ে। ইতিমধ্যে গাড়ীৰ পৰা নামি অভিজিৎ ৰয়ে মৌচুমীৰ সমুখলৈ আহি উৎসাহেৰে এটাৰ পিছত এটা প্ৰশ্ন কৰি যাবলৈ ধৰিলে।

"মৌ তই ইয়াতে থাক? কিমান বছৰৰ পিছত যে তোক লগ পালো। তই কিন্তু একেই আছ। চুলিৰ কাটটো অলপ চেঞ্জ কৰিছ। চুপ চাপ আছ কিয়? একোকে নকৰ কিয়?"



মৌচুমীয়ে একে লেঠাৰিয়ে চাই এইবাৰ লাহেকৈ ক'লে—অভি তোৰ কথা বন্ধ কৰি আগতে গাড়ীখন চাইড কৰ। তাতকৈ তই যদি ব্যস্ত নহয়, তেন্তে ব'ল ওচৰতে মোৰ কোৱাৰ্টাৰ, তাতে বহি কথা পাতোগৈ।

'অ' ব'ল ব'ল বুলি অভিজিৎ গৈ গাড়ীত উঠিল।

ইতিমধ্যে মৌচুমী আহি তাৰ কাষতে বহিল। পোনে পোনে অলপ দূৰ গৈ বাওঁফালে সোমাই গ'লেই চৰকাৰী হস্পিতালখনৰ সৈতে কোৱাৰ্টাৰবোৰ। তাৰে চাৰি নম্বৰ কোৱাৰ্টাৰটোৰ ওচৰত মৌৱে অভিজিতক ৰবলৈ ক'লে। মৌৱে তলা খোলে মানে গাড়ীখন লক কৰি অভিজিতো আহি বাৰাণ্ডা পালেহি। দুয়ো চোফাত মুখামুখিকৈ বহি কথা আৰম্ভ কৰিলে। এইবাৰ মৌচুমীয়ে সুধি গ'ল—'এতিয়া ক, তই ইয়ালৈ কেতিয়া আহিলি? কি কৰ? ক'ত আছ? সব এফালৰ পৰা কৈ যা।' মৌন হৈ সি একেথৰে মৌচুমীৰ পিনে চাই থকা দেখি তাই আকৌ ক'লে, এই অভি কি হ'ল? কি চাই আছ? কিবা যে সুধী আছো শুনা নাই? কথা নকৰ কিয়?

— সঁচা মৌ, তই কিন্তু একদম একে আছ। মই বিশ্বাসেই কৰিব পৰা নাই যে মোৰ সমুখত সঁচাই তই মৌ' বহি আছ। তোক এনেকৈ লগ পাই যাম বুলি মই ভাবিবই পৰা নাছিলো।

অভিজিতৰ কথা শুনি ক্ষন্তেকৰ বাবে মৌৰ মনটো চঞ্চল হৈ পৰিল। নিজক চম্ভালি তাই

অভিজিতক ক'লে— কিয় লগ পোৱা বাবে বেয়া পাইছ? মই মৌয়েই ভূত নহয়। এইবোৰ ফাংফুং কথা বাদ দেচোন, তোৰ কথা ক'।

শুন তেতিয়া হ'লে, মোৰ জীৱন বৃতান্ত। অভিজিতে কৈ গ'ল এসপ্তাহ হৈছে মই ইয়াত ইৰিগেচনত ইঞ্জিনীয়াৰ হিচাপে জইন কৰিছো। বৰ্তমান ডাক বাংলোত আছো। অহাকালি কোৱাৰ্টাৰ এটা পোৱাৰ আশা আছে। আগৰজন ইঞ্জিনীয়াৰ আজি টালি-টোপোলা সহ যোৱাৰ কথা। মোৰ বয়-বস্তুবোৰ বেচিখিনি লৈয়ে আহিছো। বাকী অলপ যি আছে শ্ৰীমতীক আনোতে লৈ আনিম। আছো মৌ কাইলৈ তোৰ সময় হ'ব? তই থাকিলে বস্তুবোৰ থানথিত লগোৱাত বৰ সহায় হ'ব অ' মৌচুমীয়ে সামান্য অভিমান সুৰত ক'লে—ইস্ ইমান বছৰে খবৰেই নাই, এতিয়া তাৰ বস্তু থানথিত লগাবলে মোক লাগে। অহাকালি এনেও নোৱাৰিম মই। মোৰ মৰ্নিং ডিউটি আছে। ইভিনিঙটো নাৰ্চিং হোম এখনলৈ যাব লাগিব। ইয়াত এনাচথেচিয়াৰ ডাক্তৰ কেৱল ময়েই। লেডিজ গাইনীত ময়েই। সেয়ে বৰ ব্যস্ত থাকিব লাগে। তথাপি হঠাৎ কিবা নোলায় যদি পৰহি দেওবাৰে ফ্ৰি আছো।

অ'ঠিক আছে, তেন্তে মই দেওবাৰেই কোৱাৰ্টাৰলৈ যাম। মই পুৱা আহি তোক লৈ যামহি ৰেডী হৈ থাকিবি — এইবুলি কৈ ঘড়ীটোলৈ চাই অভিজিৎ বহাৰ পৰা উঠিল।

উঠিলিয়েইযে, চাহ কফি একো নাখাব নেকি? দুৱাৰৰ ফালে খোজ দি অভিজিতে ক'লে — আজি নাখাওঁ দে, বহুত দেৰী হ'ল। চকীদাৰটো আকৌ শুই থাকিব। এতিয়া আৰু আহিয়েই থাকিম নহয় কি চিন্তা। এতিয়া যাওঁ বুইছ। 'গুড নাইট' বুলি অভিজিৎ গাড়ীত উঠিল। অভিজিতৰ গাড়ীখন যোৱাৰ ফালে কিছু সময় অপলক দৃষ্টিৰে চাই থাকি মৌ ভিতৰলৈ সোমাই আহিল। দৰজাখন বন্ধ কৰি চোফাখনতে গাটো এৰি দিলে তাই। নিজকে বৰ অৱশ যেন লাগিল। ক'ব নোৱাৰাকৈয়ে ৰিম'টটো লৈ টিভিটো অন কৰি দিলে। দুটা এটা চেনেল চেঞ্চ কৰি টিভিটো অফ কৰি দিলে। নাই একো ভাল নালাগে। নিজৰ শোৱনি কোঠালৈ গৈ কোনোমতে কাপোৰযোৰ সলাই নাইটিটো পিন্ধি বিচনাখনত দীঘল দি পৰি ৰ'ল মৌচুমী।

অজানিতে মৌচুমীৰ মনটো ডিব্ৰুগড়ৰ সিহঁতে পঢ়া স্কুলখনৰ কাষ পালেগৈ। পঞ্চম শ্ৰেণীত পঢ়ি থাকোতে প্ৰথমে লগ পোৱা সহপাঠী অভিজিৎ ক'ব নোৱাৰাকৈয়ে কেতিয়াযে তাইৰ মনৰ মাজত নিগাজীকৈ বহি ৰ'ল তাই গমকে নাপালে। অভিজিৎ সৰুৰ পৰাই বৰ খোলা মনৰ। যদিওবা কথা অলপ বেছি কয়, তথাপি তাৰ কথাবোৰ আমনি নালাগে। তাৰো মৌচুমী বেষ্ট ফ্ৰেণ্ড। সি তাৰ মনৰ সকলো কথাই মৌচুমীৰ আগত কয়। সিহঁতে মেট্ৰিক পাছ কৰি সেইখন স্কুলতেই হায়াৰ চেকেণ্ডাৰী পঢ়াৰ সিদ্ধান্ত ল'লে, কিয়নো তাৰপিছতেই মেডিকেল পঢ়াৰ কথা ক'লে অভিজিতে তাইক উপদেশ দি কয়—চাবি কিন্তু মেডিকেলত গৈ কাৰো পাল্লাত নপৰিবি। মই গম পালে কথা বেয়া হ'ব।

অভিজিতৰ এনেবোৰ কথা তাইৰ ভাল লাগে যদিও চুপ হৈ নাথাকে। লগে লগে উত্তৰ দিয়ে— তই যে ইঞ্জিনীয়াৰিং কৰিব পৰা ব্ৰহ্মচাৰী হৈ থাকিবি। ছোৱালীৰ চকুলৈও নাচাবি। এনেকৈয়ে দিনবোৰ গৈ থাকিল। পৰীক্ষাৰ পিছতেই এনট্ৰেন্সৰ ব্যস্ততা। ক'চিং ক্লাছ, ঘৰত পঢ়া, উশাহ লোৱাৰো যেন সময় নাই। দুইটাৰে যিহেতু লাইন বেলেগ, গতিকে লগ পোৱাটো কমি গ'ল। মাজে মাজে মাত্ৰ ফোনত কথা হয়। মৌচুমীৰ মনত পৰিল শেষ এনট্ৰেন্সটো দি তাই ঘৰলৈ আহিছে। অভিজিতো ঘৰতে আছে তেতিয়া। তায়েই তাক মাতি পঠালে। মনে মনে ঠিক কৰিলে আজি তাই অভিজিতক মনৰ কথা ক'বই। সিহঁত দুয়োটা গৈ ব্ৰহ্মপুত্ৰৰ পাৰৰ নিৰীৰ ঠাই এটকুৰাত বহিলগৈ। বহুত সময় মনে মনে বহি থকা দেখি অভিজিতে একেথৰে ব্ৰহ্মপুত্ৰৰ বুকুলৈ চাই থকা মৌক থেলা এটা মাৰি ক'লে- কি হ'ল মৌ, মাতি আনিলি বহুত কথা আছে বুলি, এতিয়া দেখোন চুপচাপ বহি আছ? ক কি কথা আছে?

অভি, তোৰ বেয়া লগা নাই? আৰু কেইটামান দিনৰ পিছতেই আমি বেলেগ বেলেগে হৈ যাম। তই ক'ত থাকিবি, মই ক'ত থাকিম। তাৰ পিছত কৰ্মজীৱন... তাৰ পিছত বিয়া-বাৰু কৰাই তই চাগে মোক পাহৰিয়েই যাবি....

অভিজিতৰ্ ফালে নোচোৱাকৈয়ে মৌৱে একে লেঠাৰিয়ে কথাখিনি কৈ গ'ল। মৌৱে ভাবিছিল অভিজিতে চাগে ক'ব মইতো তোকেই বিয়া কৰাম... ঠিক এই ধৰণৰ কিবা এটা। কিন্তু মৌৰ কথা শুনি অভিজিতে অভিজ্ঞ মানুহৰ দৰে ক'লে—

মৌ এইবোৰ আবেগৰ কথা ভাবি লাভ নাই। জীৱনৰ লক্ষ্যত উপনীত হ'বলে কিবা ত্যাগ কৰিবই লাগিব। এতিয়া নিজক প্ৰতিষ্ঠা কৰাৰ কথা ভাব, নহ'লে মনটোৱে বেয়া হব। আৰু মাজে মাজেতো লগ পামেই। মেইল কৰিবি, ফোন কৰিবি। চাওঁতে চাওঁতে দিনবোৰ কেনেকৈ পাৰ হৈ যাব গমেই নাপাবি। চাকৰি কৰিলেতো আৰু লগ কৰিবই পাৰিম। মৌ এটা কথা কি জান? বিয়া মই নকৰাওঁ। বৰ ভয় লাগে অ'। তোৰ নিচিনাকৈ মোক বুজা ছোৱালী এজনী মই ক'ত পাম? মৌৰ, মনতো অভিজিতৰ কথা শুনি আনন্দত নাচি উঠিল। তাই ভাৱিলে তাইৰ দৰে অভিয়েও বোধহয় মনৰ কথাখিনি খুলি ক'ব পৰা নাই। সেয়ে সহজ কৰি দিবলৈ তায়েই অভিজিতক ক'লে— মোৰ দৰেই তোক জনা-বুজা ছোৱালী এজনীৰ খবৰ যদি মই তোক দিওঁ। তেতিয়াতো তোৰ কোনো আপত্তি নাই। মই জনা মতে তাইও তোক ভীষণ পচন্দ কৰে।

অভিজিৎ আচৰিত হোৱা যেন দেখি তাই আকৌ ক'লে—ইমান কাষতে থাকিও তই তাইক চিনি পোৱা নাই? তাইতো তোৰেই বাবে অপেক্ষা কৰি আছে। আৰু অপেক্ষা নকৰাবি অভি। কথা দে, তই সদায় মৌৰেই হৈ থাকিবি। এই বুলি কৈয়েই মৌৱে অভিজিতৰ হাতখন হাতৰ মুঠিত লৈ চেপি ধৰিলে। হতভম্ব অভিজিতে হাতখন এৰুৱাই একেকোবে থিয় হ'ল।

মৌ তই এইবোৰ কি কৈছ? মোৰ ব্যৱহাৰত তই কেতিয়াবা এনেকুৱা কিবা ইঙ্গিত পাইছ? তই কিয় কেনেকৈ ভাবিব পাৰিলি? মোৰ আটাইততকৈ প্ৰিয় মনৰ একমাত্ৰ বান্ধৱী মৌৱে এনেকুৱা কথা ভাবিব পাৰে মই কল্পনাও কৰা নাছিলো। ইমান দিনে তাৰমানে তই মনত এনেকুৱা চিন্তা ৰাখিয়েই মোৰ লগত বন্ধুত্বৰ অভিনয় কৰি আহিছিলি?

অভিজিতৰ এটা কথাই সেইদিনা মৌৰ বুকুত শেলে বিন্ধাদি বিন্ধিছিল। লাজ-অপমানত তাইৰ চকুয়েদি চকুলো বাগৰি আহিছিল। তাৰ পিছত কোনেও এটা কথা নোকোৱাকৈ নীৰৱে ঘৰলৈ উভতিছিল। এটা সময়ত অভিজিৎ শিলচৰ আৰ. এছ. ই.ত পঢ়িবলে গুচি গ'ল। আৰু মৌ গুচি গ'ল নতুন দিল্লীলৈ মেডিকেল পঢ়িবলৈ। মাজত দুই এবাৰ লগ পাইছে যদিও মৌৱেই বৰ বেছি কথা পতা নাই। ব্যৰ্থ প্ৰেমৰ অভিমানত তাই নিজকে বহুত সলনি কৰি পেলালে। অভিজিৎ কিন্তু একেই আছে। তাই গাইন'কলজিষ্ট হিচাপে মেডিকেল শেষ কৰাৰ পিছতো মেডিচিন আৰু এনাচথেচিয়াৰ স্পেচিয়েল কৰ্চ এটা কৰি ঘৰলৈ আহোতে শুনিলে অভিজিতৰ বিয়া। ঘৰৰ পৰা পচন্দ কৰা ছোৱালী এজনীৰ লগতে বিয়া। তাইৰ বৰ আচৰিত লাগিল। মানুহৰ মনৰ ইমান সোনকালে ইমান পৰিবৰ্তন হব পাৰে। সেইবাৰ অভিজিতক তাই লগ নাপালে। অৱশ্যে লগ কৰাৰ ইচ্ছাও নাছিল। অভিজিতৰ বিয়াৰ দিনা তাই এতিয়া যিটো চাকৰি কৰে তাৰ ইন্টাৰভিউৰ অজুহাতত ঘৰৰ পৰা গুচি আহিছিল। পিছদিনা ইন্টাৰভিউৰ বাবে আগদিনা নগ'লে অসুবিধা হ'ব। তাৰ পিছত আৰু অভিজিতৰ কোনো খবৰেই তাই ৰখা নাই। আজি হঠাৎ অভিজিতক লগ পাই আকৌ সেই পুৰণা খং, লাজ, অপমান, অভিমানে তাইক অৱশ কৰি পেলালে। কথাবোৰ ভাবি ভাবি কিমান সময়যে তেনেকৈয়ে পৰি থাকিল। ঘড়ীটো

চাই দেখে বাৰ বাজিবলৈ দহ মিনিট বাকী। বিচনাৰ পৰা উঠি বাথৰুমলৈ গৈ ভালকৈ মুখ-হাত ভৰি ধুই তাই কিচেনলৈ গ'ল। এতিয়া আৰু কিবা বনাই খোৱাৰ শক্তিও নাই ইচ্ছাও নাই। গাখীৰ এগিলাচ আৰু বিস্কুট দুখন খাই আকৌ আহি তাই শুই থাকিল।

অভিজিতে দুটা মানুহক ইতিমধ্যে পেকিংবোৰ খুলিবলৈ লগাই দিছে। গোটেই দিনটো দুয়োটাই মিলি হাঁহি স্ফূৰ্তিৰে ঘৰটো সজালে। হোটেলৰ পৰা অনা খোৱাবোৰ সময়ে সময়ে মৌৱে দুয়োটাৰ বাবে সজাই লৈ আছে। সঁচাকৈয়ে বহুত বছৰৰ মূৰত ইমান খোলা মৌ ৰাতিৰ আহাৰ হোটেলত খাই অভিজিতে আহি মৌক ঘৰত থৈ গ'লহি। দহদিন মান পিছত এদিন অভিজিতে ফোন কৰি ক'লে—আজি গধূলি তোৰ তাতে যাম বুলি ভাবিছো শ্ৰীমতীক লৈ। তই থাকিবি নহয়?

ক্ষন্তেকৰ বাবে থমকি ৰৈ মৌৱে সিহঁতক আহিবলৈ ক'লে। অঞ্জনা ছোৱালীজনী বৰ মৰম লগা। অভিজিতৰ লগত মিলিছে। তাইৰ এতিয়া আঠমাহ চলি আছে। মৌৱে ডাক্তৰ হিচাপে তাইক কিবা-কিবি উপদেশ দিলে। তাইও নতুন ঠাইখনত বিশেষজ্ঞ ডাক্তৰ এগৰাকী পাই ভীষণ সুখী হ'ল।

অঞ্জনা আহি অভিজিতৰ লগত থকাৰে পৰা মৌ মাজে মাজে অন্যমনস্ক হৈ যায়। যেতিয়াই অভিজিতক লগ পায় সি বেছিখিনি সময় অঞ্জনাৰ গুণেই গাই থাকে। আহিলেও বেছি সময় নবহে। অঞ্জনা অকলে থকাৰ কথা কৈ গুচি যায়। অভিজিতৰ অঞ্জনাৰ প্ৰতি থকা মৰম, ভালপোৱা, অঞ্জনাৰ প্ৰতি লোৱা আদৰ, যত্নই মৌক দিনে দিনে ক্ষুন্ন কৰি যাবলৈ ধৰিলে। অভিজিৎ অঞ্জনাই কিন্তু একো বুজিব নোৱাৰিলে। কাৰণ অভিয়ে জানে মৌৱে এনেও কম কথা কয়, অলপ চিৰিয়াচলি থাকে। অভিজিতে তাইক প্ৰায়েই কয়—তই বিয়া নকৰিলি কিয় মৌ? ইমান বছৰে ল'ৰা এটা ঠিক কৰিব নোৱাৰিলি। ৰ' মই আৰু অঞ্জনাই মিলি তোৰ বাবে এটা ল'ৰা চাই তোৰ বিয়া পাতিম। কি কোৱা অঞ্জনা?

সময় কালৈকো ৰৈ নাথাকে। নিজৰ গতিত সি গৈয়েই থাকে অবিৰাম গতিত। হঠাৎ এদিন ৰাতি মৌৰ টেলিফোনটো বাজি উঠিল। মৌৰ চিলমিলকৈ টোপনি আহিছিল। ঘড়ীটোত এক বাজি বিশ মিনিট গৈছে। ফোনটো উঠোৱাৰ লগে লগেই সিফালৰ পৰা অধৈৰ্য্য হৈ অভিজিতে কৈ গ'ল— মৌ, তই ৰেডি হ, মই আহি আছো। অঞ্জনাৰ হঠাৎ বেছিকৈ পেইন অহাত নাৰ্চিং হোমত ভৰ্তি কৰালো। কৈছে এতিয়াই চিজাৰিয়ান কৰিব লাগিব। এনাস্থেচিয়া দিব লাগিব। মই আহি আছো বুলি কৈ ফোনটো থৈ দিলে।

তাই লৰালৰিকৈ নাইটিটো সলাই বেগটো লৈ দৰজাত তলা মাৰি বাৰাণ্ডাত ৰৈ থাকিল। ইতিমধ্যে অভিজিৎ আহি পালেহি। গাড়ীত উঠিল আৰু নাৰ্চিং হোমলৈ বুলি ৰাওনা হ'ল।

ইতিমধ্যে অপাৰেচনৰ সকলো যা-যোগাৰ হৈ গৈছে। চিনিয়ৰ ডাক্তৰ মুখাৰ্জী আৰু সহকাৰী ডাক্তৰ পাপু বিশ্বাসেও মৌচুমীৰ বাবে ৰৈ আছে। মৌচুমী গাড়ীৰ পৰা নামি অহাৰ লগে লগে চিষ্টাৰ এগৰাকী আগবাঢ়ি আহিল। ডাক্তৰ মুখাৰ্জীৰ পৰা ৰোগীৰ কণ্ডিচন সম্পৰ্কে বুজ লৈ গ্ৰাউনটো পিন্ধি অপাৰেচন ৰূমত সোমাল। যন্ত্ৰণাত কাতৰ হৈ থকা অঞ্জনাৰ মূৰত হাতখন বুলাই দি সব ঠিক হৈ যাব বুলি মৌচুমীয়ে অঞ্জনাক ক'লে। ক'ব নোৱাৰাকৈয়ে মৌচুমীয়ে নিজৰ দুয়োপাৰি দাঁত জোৰেৰে কামুৰি ধৰিলে। কিন্তু সকলো ক্ষন্তেকৰ বাবে। এনাস্থেচিয়া ৰেডি কৰি মৌচুমীয়ে সন্তৰ্পণে এনাস্থেচিয়া দিলে। ক্ষন্তেক অপেক্ষাৰ পিছত ৰোগীৰ টোপনি আহিল। কোনেও ভবা নাছিল ৰোগীৰ এয়া চিৰনিদ্ৰা। আৰু মৌচুমীয়ে ৰোগীৰ কণ্ডিচন আৰু এনাস্থেচিয়াৰ সমতা ৰক্ষা নোহোৱাৰ বাবে ৰোগীক বচাব পৰা নগ'ল। জন্মৰ এঘন্টাৰ ভিতৰতে সন্তানটোৰো মৃত্যু ঘটিল। চিনিয়ৰ ডাক্তৰ মুখাৰ্জীকে আদি কৰি নাৰ্চিং হোম কৰ্তৃপক্ষই সকলো গোপনে ৰাখিলে। আৰু অভিজিৎ....? এই সকলোৰে বাবে





সি নিজৰ ভাগ্যক দোষিলে। মৌচুমীৰ ওচৰত সি চিৰকৃতজ্ঞ। অঞ্জনা অহাৰে পৰা এই ৰাতিখন দৌৰাদৌৰিকৈ আহি যিমানখিনি কৰিব লাগে মৌচুমীয়ে কৰিছে। কিন্তু মৌচুমীৰ জানো নিজক ফাঁকি দিব পাৰিব? ইমান অভিজ্ঞ এগৰাকী ডাক্তৰ ইমান অসাৱধান কেতিয়াও হব নোৱাৰে। অতীতৰ ক্ষোভ অপমান ব্যৰ্থতাই ক্ষন্তেকৰ বাবে মৌচুমীক নিষ্ঠুৰ কৰি পেলালে। মনৰ মাজত পুহি ৰখা অভিজিতৰ প্ৰতি থকা প্ৰেম আৰু অভিজিতক আপোন কৰি পোৱাৰ বাসনাই মৌচুমীৰ কোমল হৃদয়খন কঠোৰ কৰি পেলালে। কিন্তু নিজৰ এই নিষ্ঠুৰতাক মৌচুমীয়ে নিজেই জানো ক্ষমা কৰিব পাৰিলে? মৌচুমীৰ মনটো তাইৰ বিবেকৰ দংশনত বেয়াকৈ অপমানিত হ'ল আকৌ এবাৰ। অভিজিতৰ মুখামুখী হোৱাৰ সাহস তাই হেৰুৱাই পেলালে। লৰালৰিকৈ তাই ছুটীৰ বাবে এখন দৰ্খাস্ত লিখিলে।

❖❖❖

## কৌতুক

১। জিতু : দেউতা তোমাৰ বাৰু চুলিবোৰ কেনেকৈ পৰিল?
দেউতা : তুমি যে দিগদাৰি দি থকা, সেইবাবে।
জিতু : তুমিও কিন্তু কম নাছিলা দেউতা, সেইবাবে ককাৰ মূৰত এডালো কেচা চুলি নাই।

২। চান্তা : বুইছা বান্তা, যোৱাকালি মহেন্দ্ৰৰ লগত মোৰ ভীষণ কাজিয়া এখন হৈছিল। পিছে কিবা এটা ভাবিহে মই তাক এৰি দিলো।
বান্তা : কি ভাবিনো তাক এৰি দিলা?
চান্তা : ভাবিলো মোতকৈ তাৰ গাৰ জোৰ বেছি আছে।

৩। অভিজিত : আইতা তোমাৰ দাঁতৰ জোৰ আছেনে?
আইতা : কিয় সোনটো? মোৰ দাঁতৰ জোৰৰ কথা কিয় লাগে, মোৰ এটাও দাঁত নাই।
অভিজিত : তেনেহ'লে, ঠিক আছে, এই আপেল দুটা তোমাৰ ওচৰত জমা থলো, আবেলি খাম দেই।

৪। মাক : নেহা, পৰীক্ষাত ইমান কম নম্বৰ কিয় পাইছা?
নেহা : মা, তুমিয়েতো কৈছিলা অলপতে সন্তুষ্ট থাকিব লাগে।

৫। শিক্ষক : এনে দুটা শব্দ কোৱাচোন, যি দুটা শব্দ ছাত্ৰসকলে সবাতোকৈ বেছি ব্যৱহাৰ কৰে।
ছাত্ৰ : নোৱাৰিম ছাৰ।
শিক্ষক : একেবাৰে শুদ্ধ উত্তৰ।

৬। শিক্ষক : এজন পকেটমাৰে কালি মোৰ পকেট মাৰিলে, এই বাক্যটোৰ কোনটো কৰ্ম।
ছাত্ৰ : কৰ্ম-কৰ্তা বিচাৰি পাম ছাৰ, এইটো গোটেইটোৱেই কুকৰ্ম।

৭। টুনু : মা, মোৰ জন্মৰ পূৰ্বতে তুমি মোক দেখিছিলানে?
মাক : নাই দেখা।
টুনু : তেনেহ'লে জন্মৰ পাছত মোক কেনেকৈ চিনি পালা।

সংগ্ৰাহক- কৃষ্টি ৰাজ
স্নাতক প্ৰথম ষাণ্মাসিক

# আত্মশুদ্ধি

চন্দ্ৰকান্ত বৰা
গ্ৰন্থাগাৰীক

বাতৰি কাকতখনত বৰ বৰ হৰফৰ খবৰটোৱে তাৰ পাষাণ হৃদয় গলায় পেলালে। আখৰবোৰ তাৰ চকুৰ আগত নাচিব ধৰিলে। বাতৰিটোৰ শিৰোণাম 'অসমৰ এজন বীৰ জোৱান তীৰ্থ শইকীয়াৰ সীমান্তত দেহাৱসান'। তাৰ কাষত সৰু এখন ফটো। ফটোখন দেখি তাৰ বুকুখন ধান বনাদি বানিলে। সি কাকতখনৰ দুশাৰীমান পঢ়ি আৰু পঢ়িব নোৱাৰিলে। সীমান্তত উগ্ৰপন্থীৰ সৈতে গুলিয়াগুলিত অসমত বীৰ জোৱান তীৰ্থ শইকীয়াৰ মৃত্যু হয়। তেখেতৰ নশ্বৰদেহ আজি বিমানযোগে গুৱাহাটীলৈ......। সি আৰু পঢ়িব নোৱাৰিলে, হাতৰপৰা কাকতখন মাটিত পৰি গ'ল। তাৰ চকুৰেদি এখন সাগৰ নামি আহিল। অন্য সতীৰ্থৰপৰা দূৰলৈ আহি হাতৰ মাৰণাস্ত্ৰটো খামুচিতাৰ ঘৰলৈ নামি অহা বিভীষিকাবোৰ কল্পনা কৰিলে। এই বিভীষিকা নমাই অনাৰ বাবে সিয়ে মূলত দায়ী। তাৰ আদেশতে হৈছিল এই অভিযান। কাশ্মীৰ সীমান্তত প্ৰশিক্ষণ ল'বলৈ অহা কিছু সংখ্যক নৱ নিযুক্ত কেডাৰক তাৰ নিৰ্দেশত ভাৰতীয় সেনাৰ বিপক্ষে অভিযান চলাইছিল। সেই অভিযান কালত সিহঁতৰ এজন কেডাৰৰ গাত গুলি লগাৰ উপৰি নিহত হৈছিল দুজন ভাৰতীয় সেনা।

যোৱাকালি সিহঁতৰ সফলতাত এটা ভোজমেলো চলিছিল। কিন্তু সিতো জনা নাছিল যে তাৰ সেই নিৰ্দেশে তালৈ কঢ়িয়াই আনিব এনে এচপৰা কলিয়া ডাৱৰ।

ডাঙৰ ল'ৰা আছিল ৰাহুল। তিনিটা সন্তানেৰে ভৰা ঘৰখন দেউতাকৰ স্কুলৰ চকিদাৰী চাকৰিটোৱে টুক-টাককৈ চলি আছিল। লহপহকৈ ডাঙৰ হৈছিল মাক-দেউতাকৰ হেপাঁহবোৰ তিনিজোপা খৰিকাজাইহে। ডাঙৰ ল'ৰা ৰাহুল স্কুলখনৰ ভিতৰতে মেধাবী ছাত্ৰ আছিল। মেধাৰ বলতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ অতি মৰমৰ আছিল ৰাহুল। দিন বাগৰাৰ লগে লগে তাৰো হেপাঁহবোৰে পোখা মেলিছিল। তাৰ আশা সি মহাবিদ্যালয়ৰ ডেউনা পাৰ হ'ব বিজ্ঞানৰ স্নাতক হিচাপে আৰু কিবা নহয় কিবা চাকৰি এটা যোগাৰ কৰি দেউতাকৰ বেকাঁ হোৱা ৰাজহাঁড়ডাল পোনাবলৈ চেষ্টা কৰিব। ভায়েকটোক পঢ়াই-শুনাই ডাঙৰ মানুহ কৰিব। ভনীয়েকক ভাল ঘৰ এখন চাই উলিয়াই দিব। পঢ়াৰ টেবুলত ৰাতি তাক এই ভাৱনাবোৰে আমনি কৰে। দুপৰনিশা মাকৰ মাতত তাৰ ভাৱনাবোৰত যতি পৰে 'তুমি শোৱাই নাই' আৰু ভৱনাবোৰে পঢ়াৰ টেবুলৰপৰা বিচনালৈ গতি কৰে। তাৰ আজিও মনত আছে পি সুখ্যাতিৰে বিদ্যালয়-মহাবিদ্যালয়ৰ ডেউনাবোৰ পাৰ কৰোতে ঘৰৰ মানুহবোৰৰ কিমান যে স্ফুৰ্তি। মাক-দেউতাকৰ মুখকেইখন পূৰ্ণিমাৰ জোনৰ দৰে উজলি উঠিছিল সেইদিনা। পূৰ্ণিমাৰ জোনৰ গ্ৰহণ লাগিবলৈ বেছি দিন নালাগিল। দেউতাকে চাকৰিৰ পৰা অৱসৰ পালে। মাকৰো চুলিয়ে ৰূপোৱালী ৰং সলালে। তাৰো কাম বিচাৰি ঘুৰি ফুৰা কামটোৱে খৰতকীয়াকৈ বাট বুলিলে।

বিজ্ঞানৰ প্ৰথম শ্ৰেনীৰ স্নাতক হৈ ওলোৱা আজি কেইবাবছৰো হ'ল। এই কেইবছৰত সি টিউচন কৰি পোৱা টকা কেইটাৰে কিমান যে ইন্টাৰভিউৰ কলিং লেটাৰবোৰ গোটালেঙ্গ কিমান যে দৌৰিলে





অফিচৰ দুৱাৰে দুৱাৰে। এদিনৰ বাবেও তাক নেদেখিলে থাকিব নোৱাৰা দেউতাকৰ মুখামুখি আৰু তাৰ সাহে নুকুলুৱা হ'ল। লহপহকৈ বাঢ়ি অহা ভনিয়েকজনী আৰু মহাবিদ্যালয়লৈ নতুনকৈ যোৱা ভায়েকটোৰ সৈতে তাৰ ব্যৱধান বাঢ়ি আহিল আৰু এদিন প্ৰাণৰ ঘৰখনৰ পৰা সি নোহোৱা হ'ল। সি এটা উগ্ৰপন্থী সংগঠনৰ সদস্য হ'ল।

পুৰণি কথাবোৰ পাগুলি পাগুলি সি মাজে-সময়ে ভাবিবলৈ ধৰিলে। ঘৰখন এৰি অহা তাৰ আজি প্ৰায় আঠ বছৰেই হ'ল। এই কেইবছৰত সি মাক-দেউতাকৰ ওচৰলৈ এবাৰো যোৱা নাই। কেতিয়াবা ঘৰখনৰ বিষয়ে টুকুৰা-টুকুৰ কিছুমান খবৰ তাৰ কানত পৰেহি। এইদৰে পোৱা খবৰৰ পৰাই সি জানিব পাৰিছিল যে তাৰ ভায়েকটো ডাঙৰ হ'ল আৰু উচ্চতৰ মাধ্যমিকৰ দেওঁনা পাৰ কৰাৰ পাছতে সি দেউতাকৰ কান্ধৰ ভাৰখন খমাব পাৰি নেকি চিন্তা কৰিয়েই সেনা বাহিনীৰ বিভিন্ন সাক্ষাৎকাৰবোৰ দিবলৈ ধৰিলে। এনেকৈ এদিন তাৰ চেষ্টাৰ বলত মনতে ৰোৱা ফুলজোপাই পাহি মেলিলে। সি সীমান্ত বাহিনীৰ সেনানী হ'ল। ঘৰখনলৈ এচমকা পোহৰ আহিল। এই খবৰবোৰ পোৱাও ৰাহুলৰ তিনি/চাৰি বছৰ হ'ল। বৰ্তমান তাৰ ভায়েকটো চাকৰিসূত্ৰে ক'ত আছে, তাৰ খবৰ ৰাহুলৰ হাতত নাছিল। সংগঠনৰ নিৰ্দ্দেশত সি ভাৰত-ভূটান সীমান্তৰ এখন ভিতৰুৱা জংঘলত নতুন কিছুমান সদস্যৰ প্ৰশিক্ষণৰ দায়িত্বত আছিল। প্ৰশিক্ষণৰ প্ৰায় শেষত সিহঁতৰ পাৰদৰ্শিতাৰ প্ৰমানৰ হেতু তাৰ নিৰ্দ্দেশতে যোৱাকালি ভাৰতীয় এটা দলৰ ওপৰত সিহঁতক জপিয়াই পৰিবলৈ দিয়া হৈছিল আৰু সিহঁতৰ পাৰদৰ্শিতাৰ প্ৰমান আজি কাকতৰ পাতত তাৰ সন্মুখত। সি থান-বান কৰি দিলে তাৰ নিজৰ ঘৰখন, ভায়েকে নতুনকৈ গঢ়ি তোলা মৰমৰ ঘৰখন। দেউতাক-মাকৰ আশাৰ চাকিগছি, ভনীয়েকৰ মনত পুহি ৰখা কোনো ৰাজকুমাৰৰ সৈতে তাইৰ বিয়াখন, সকলো তাৰ এটা নিৰ্দ্দেশতে শেষ হৈ গ'ল।

চকুৰ পানী মচি মচি সি ভাবিবলৈ ধৰিলে, সি অবাটে বাট বুলিছে। সি মূল সুতীলৈ উভতি যাব। মাক-দেউতাকক হাজিৰা কৰি হ'লেও দুবেলা দুমুঠি খুৱাব, ভনীয়েকক বিয়া দিব। সি বুজি পালে যে এই বাটেৰে ঘৰ ভাঙিব পাৰি, সমাজ ভাঙিব পাৰি কিন্তু একো গঢ়িব নোৱাৰি আৰু শান্তি কিনিব নোৱাৰি। সিদ্ধান্ত ল'লে যে সি পিছ দিনাখন সেনা বাহিনীৰ ওচৰত আত্ম সমৰ্পন কৰিব। এবা, এই কথাষাৰ ভৱাৰ পৰাহে তাৰ মনলৈ শান্তি ঘূৰি আহিল।।

❖❖❖

### তিনিৰ মহত্ব ঃ

১। তিনিটা বস্তুৱে কাকো অপেক্ষা নকৰে।
—জন্ম, মৃত্যু আৰু সময়

২। তিনিজন গুৰুক সদায় ভক্তি কৰি চলিব লাগে।
—আদি গুৰু, শিক্ষা গুৰু আৰু দীক্ষা গুৰু

৩। তিনিটা বস্তুক কেতিয়াও পাহৰিব নালাগে।
— কৰ্তব্য, ঋণ আৰু আত্মসন্মান

৪। তিনিটা বস্তুক সদায় নিজৰ অধীনত ৰাখিব লাগে।
—কাম, ক্ৰোধ আৰু মোহ

৫। তিনিটা বস্তুৰ প্ৰতি সদায় দয়াশীল হ'ব লাগে।
—নাবালক, ভোকাতুৰ আৰু পাগল

—মৃদুলা ভূঞা
স্নাতক প্ৰথম ষাণ্মাসিক

# মানস কন্যা

—ময়ূৰী ডেকা
স্নাতক তৃতীয় ষাণ্মাসিক

ইমান সুন্দৰ জোনাক নিশা। বাহিৰলৈ ওলাই আহি সাগৰ চৌধুৰীয়ে সেই সুন্দৰ জোনাকটিলৈ চাব ধৰিলে আৰু সেই সুন্দৰ জোনটিৰ মুখখন চাই বহুতো কথা ভাবিলে, বহুত কল্পনাও কৰিলে। তেওঁৰ জোনাকবিহীন সংসাৰখনত যদি অলপ জোনাকৰ পোহৰ দেখা পালেহেতেন, সকলো থাকিও যেন তেওঁৰ কিবা এটা নাই। ভগৱানে তেওঁলোকক ইমান সা-সম্পত্তি দিয়াৰ উপৰিও যদি এটা সন্তান দিলোহেঁতেন, তাকে ভাবি দিনে নিশাই তেওঁৰ পত্নী আৰাধনাও মনত বৰ কষ্ট পাইছিল। মনত বহুত দুখ বান্ধি লৈ তেওঁলোকে জীয়াই থাকিল।

এদিনাখন তেওঁলোকে সিদ্ধান্ত ল'লে যে এখন অনাথ আশ্ৰমৰ পৰা এজনী মৰমলগা কন্যা সন্তান আনিব। সেইমতে তেওঁলোকে এদিন গৈ সাতমহীয়া কন্যা সন্তান আনিলে। ডাঙৰ সপোন এটি যেন পূৰ হ'ল তেওঁলোকৰ। সন্তানটিৰ নাম থলে কল্যাণী। কল্যাণৰ পথত যেন তাই আগবাঢ়ে। তাইক চোৱা-চিতাৰ বাবে এগৰাকী মানুহো ৰাখিলে । লাহে লাহে তাই ডাঙৰ হ'ল, স্কুল যাব পৰা হ'ল। এখন ভাল স্কুলত তাইক নাম লগাই দিলে।

আগৰ কেইবছৰৰ দৰে এইবাৰো তাইৰ ১০ বছৰীয়া ওপজা দিনটো ডাঙৰকৈ পাতিবলৈ আয়োজন কৰিছিল। নিজৰ সন্তানৰ দৰে তাইক তেওঁলোকে যথেষ্ট মৰম দিছিল।

এদিন তাই দেউতাকৰ সৈতে স্কুলৰ পৰা ঘৰলৈ আহি থকা অৱস্থাত তেওঁলোকৰ গাড়ীখন অন্য এখন গাড়ীত লগাত কল্যাণীয়ে মূৰত আৰু বুকুত বেয়াকৈ আঘাত পালে। দেউতাকৰ বিশেষ একো নহ'ল যদিও অলপ কষ্ট পাইছে। কষ্ট কৰি হ'লেও হস্পিতালত ভৰ্তি হ'ল। আৰাধনাকো খবৰ দিলে কন্দা-কটাকৈ তেওঁ হস্পিতাল পালেহি। অৱশেষত কল্যাণীক হস্পিতালৰ পৰা ঘৰলৈ আনিলে আৰু ভালকৈ তাইৰ যতন ললে যদিও তাই আগৰ দৰে সম্পূৰ্ণ সুস্থ সবল নহয় আৰু কেতিয়াও হ'ব নোৱাৰে। ডাক্তৰৰ মুখৰ পৰা মাক-দেউতাকে গম পাই মনত বহুত কষ্ট পালে আৰু তাইক টান সুৰত কথা ক'ব মানা কৰিলে। মাক-দেউতাক তাইৰ প্ৰতি বৰ সচেতন হ'ল। লাহে লাহে তাই মেট্ৰিক দিলে আৰু এদিন ফলাফল ওলাল। তাই আৰু মাক-দেউতাকে ভবা মতে ফলাফল নহ'ল যদিও তাইক একো নকলে, কাৰণ সেই কথাই তাইক মগজুত কষ্ট দিব পাৰে। তাইৰ লগৰ শ্যামলী পঢ়া-শুনাত তাইতকৈ পিছপৰা আছিল যদিও এতিয়া শ্যামলী ওপৰত হ'ল। তাই মনত বৰ দুখ পালে। ভগৱানে তাইৰ জীৱনলৈ কিয় এনে অমানিশা নমাই আনিলে তাই ভাবিব ধৰিলে। তেনে সময়তে তাইক গাখীৰ এগিলাছ দিব আহি তাইক মাত দিলে। ইমান মাতাৰ পিছতো তাই শুনা নাপালে। গাটো লৰাই দিওতেহে গম পালে। ইমানকৈ কি ভাবি আছা, মোৰ সোণজনী? ইমান চিন্তা নকৰিবা। যি হৈছে তাতেই সন্তুষ্ট থাকা। বেছি গভীৰভাৱে ভাবি মগজুত কষ্ট নিদিবা। গাখীৰ গিলাচ খাই শুই থাকা।

কল্যাণী বৰ প্ৰতিভাশালী ছোৱালী আছিল। তাই বৰ সুন্দৰকৈ নাচিবও জানে, গান গাবও জানে। ভাল ভাল গল্প, কবিতাও লিখে। এই ক্ষেত্ৰত তাইক





কলেজৰ কোনেও বলে নোৱাৰিছিল। বাতৰি কাকতো তাই প্ৰতিভাৰ বিষয়ে প্ৰকাশ পাইছিল আৰু বহুত প্ৰশংসা বুটলিছিল। ইফালে তাইৰ বান্ধৱী শ্যামলীৰ কল্যাণীৰ প্ৰতি আৰু হিংসা ভাব জাগি উঠিল। তাইও কল্যাণীৰ দৰে প্ৰতিভাশালী হ'ব বিচাৰিলে যদিও সফল হ'ব নোৱাৰিলে। তাই আগৰ কল্যাণীক মাতবোল নকৰা হ'ল। কল্যাণীয়ে মাত দিলেহে তাই কোনোমতে মাতষাৰ দিয়ে। তাই শ্যামলীৰ এই ব্যৱহাৰত আচৰিত হ'ব ধৰিলে। এনেকৈ কেইদিনমান পাৰ হোৱাৰ পিছত তাই মাকক সুধিলে আৰু মাকে ক'লে তোমাৰ ভাল ভাল প্ৰশংসা ওলোৱাৰ বাবে তাইৰ তোমাৰ প্ৰতি হিংসা জাগিছে। তাই তোমাৰ শত্ৰু কাৰণে তোমাৰ ভাল প্ৰশংসা ওলোৱাত তাই বেয়া পাইছে আৰু যদি বেয়াকৈ তোমাৰ বিষয়ে ওলালহেঁতেন তেতিয়া সেই শত্ৰুবোৰৰ আনন্দত নধৰা হ'ব।

এদিন কলেজত শ্যামলীয়ে অকলশৰে বহি থকা দেখি কল্যাণী আহি তাইৰ কাষতে বহিল আৰু তাইক সুধিলে ভালকৈ মাতবোল নকৰাৰ কাৰণ। তাই একো কথা নাই, গা-মন ভাল নহয় কাৰণে মাতা নাই বুলি ক'লে। তথাপিতো কল্যাণীয়ে তাইক জোৰ কৰি বাৰে বাৰে সোধাত শ্যামলীৰ খং উঠিল আৰু কৈ দিলে ইমান দিনেতো তই অনাথ আশ্ৰমতে থাকিলিহেঁতেন যদি সেইখন বিলাসী মানুহে তোক নানিলেহেঁতেন। নহলেনো ক'ত তোৰ আজি ইমানবোৰ প্ৰশংসা ওলায়। কল্যাণীক তাই একো কথা ক'ব সুযোগ নিদিলে। সকলো কথা কৈ তাই কল্যাণীৰ ওচৰৰ পৰা গুচি গ'ল। কল্যাণীয়ে কথাবোৰ মনত বহুত কষ্ট পালে। ইমান দিনেতো তাই এই গোপন ৰহস্য জনা নাছিল আৰু জানিবনো কেনেকৈ নিজৰ ছোৱালীৰ দৰে তাইক মৰম কৰে। কেতিয়াও টান কথা নুশুনা ছোৱালী এজনীয়ে তাইক এনেকুৱা কথা কৈ গ'ল। তাই হৃদয়ত আৰু মগজুত বৰ কষ্ট পালে এই বুলি জানি যে, তাই এজনী মানস কন্যাহে; কথাবোৰে তাইক আঘাত দিলে আৰু তাই মৃত্যুক সাৱটি ল'লে। তাইৰ মৃতদেহ আহি ঘৰ পোৱাত মাক-দেউতাক পাগলৰ দৰে হ'ব ধৰিলে আৰু চিঞৰি চিঞৰি ক'ব ধৰিলে আমি কি পাপ কৰিছিলো? ভগৱানে কিয় আমাক এনেকুৱা কৰিলে? কোনোমতে পোহৰ হোৱা ঘৰখন আকৌ অন্ধকাৰ হোৱাত তেওঁলোকে আৰু সেইখন ঘৰত থাকিব নিবিচাৰিলে। সেই বিশাল ঘৰ-দুৱাৰ ত্যাগ কৰি তেওঁলোকে বৃদ্ধাশ্ৰমতে জীৱন কটালে। কিন্তু কল্যাণীৰ মৃত্যুৰ কাৰণটো গম নাপালে।

❖❖❖

## মহৎ লোকৰ বাণী

১। কৌশল অবিহনে তুমি একোৱে শিকিব নোৱাৰা।
ঃ মণ্টেইন

২। এজন সৎ লোক ইশ্বৰৰ মহান সৃষ্টি।
ঃ ৰবাৰ্ট বাৰ্নচ

৩। দৃঢ়সংকল্প নহলে কোনো ভাল কাম কৰা সম্ভৱ নহয়।
ঃ মহাত্মা গান্ধী

৪। গৃহই হ'ল শিক্ষাৰ আৰম্ভণি বন্ধু।
ঃ ক্ৰেছ

৫। জুইয়ে শুকান খৰি পুৰি ছাই কৰাৰ দৰে ইৰ্ষায়ো সকলো ভাল কাম নষ্ট কৰি পেলায়।
ঃ হজৰত মহম্মদ

৬। ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা তোমাৰ শক্তিক।
ঃ লক্ষ্মীনাথ বেজবৰুৱা

—শান্তনা বিশ্বাস
স্নাতক প্ৰথম ষাণ্মাসিক

# জোৰীয়া নৈৰ জীপাল কাহিনী

—অনিতা বৈশ্য
স্নাতক প্ৰথম ষাণ্মাসিক

পূবৰ বেলি পশ্চিমলৈ মাৰ যোৱাৰহে যেন অপেক্ষাত বৈ থাকে আৰু আবেলি হোৱাৰ লগে লগেই নৈপাৰ পায়হি 'মৰমীয়ে'।

সন্ধিয়া হৈ আহিল তাঁলৈ যেন তাইৰ গমেই নাই। ইফালে আকৌ পেহীয়েকক বিচাৰি (মৰমী) নৈ পাৰ পালেহি মৰমৰ দুই ভতিজা ল'ৰা নৰেন আৰু ৰমেনে। সিহঁত দুইটাই এতিয়া ডেকা। মাক দেউতাকে এৰি যোৱাৰ পাছত পেহীয়েকেই সিহঁতৰ দায়িত্ব পালন কৰি আহিছিল। কিন্তু পেহীয়েক এতিয়া এগৰাকী বৃদ্ধা মহিলা, সেয়েহে সিহঁত দুইটাই এতিয়া পেহীয়েকক চোৱা-চিতা কৰে। নৰেণ আৰু ৰমেনে মৰমী পেহীয়েকক নৈ পাৰতে বহি থকা দেখিলে আৰু দুয়োকে তাইক ঘৰলৈ লৈ গ'ল।

শাওনৰ মাহ লাহে লাহে ভৰি দিলে। যিহেতু নৈপৰীয়া গোটেই মানুহখিনি কাৰ্বি সম্প্ৰদায়ৰ লোক, সেয়েহে গাওঁখনৰ সকলো মানুহেই খেতি-বাতিৰ কামত ব্যস্ত হৈ পৰিল। সেই নৈপৰীয়া কাৰ্বি গাওঁখনৰ নাম নৈখনৰ নামেৰে 'জোৰ' গাঁও আৰু নৈখনৰ নাম 'জোৰীয়া নদী' আৰু গাওঁখনৰ নিবাসী উপেন ৰংপীয়ে এইবাৰ প্ৰথমবাৰ নৈপাৰৰ মাটি চহাই খেতি কৰিবলৈ বুলি মন মেলিলে।

শাওনৰ তিনি তাৰিখে ৰংপীয়ে নৈপাৰলৈ কান্ধত এখন কোৰ লৈ মাটি চহাবলৈ বুলি গ'ল। সেইদিনা আকৌ মৰমী পেহীয়েও নৈপাৰলৈ পুৰাই ফুৰিবলৈ বুলি ওলাই আহিল। সিদিনা ৰাতিপুৱাই পেহীক নৈ পাৰত দেখি ৰংপিয়ে মাটি চহোৱা ঠাইৰ পৰা চিঞৰি মাতিলে।

ৰংপী ঃ অ' পেহী, আজি দেখোন সূৰ্য উদয় নৌহওঁতেই নৈপাৰ পালাহি।

পেহী ঃ অ' বোপাই, ফুৰিবলৈ বুলি আহিলো। পেহীয়ে লাহে লাহে উত্তৰ দিলে।

ৰংপীয়ে কথা সামৰি মাটি চহোৱাত লাগিল। অলপ সময়ৰ পাছত ৰংপীয়ে একেজাপে পেহীয়ে বহি থকা ঠাই পালেহি। সি বৰকৈ কোপাই-জোপাই থকা দেখি পেহীয়ে সুধিলে- 'কি হ'ল অ' ৰংপী? ইমান কোপাই-জোপাই মোৰ কাষ পালিহি যে মাটি চহাই হ'ল হবলা?' ৰংপীয়ে কোনো মাত নিদিয়াত পেহীয়ে আকৌ সুধিলে। অলপ পাছত সি লাহে লাহে কপা কপা মাতেৰে ক'লে- 'পেহী, মই চহাই থকা মাটিখিনিত অলপ মাটি চহাওতেই মৃত মানুহৰ কিছুমান হাড়-মূৰ, লাওঁখোলা ওলাল'। ৰংপীৰ কথা শুনি পেহীৰ দুচকু চকুপানীৰে ভৰি পৰিল আৰু যেন লাহেকৈ উচুপি উঠিল। পেহীৰ এনে দৃশ্য দেখি আচৰিত হৈ ৰংপিয়ে সুধিলে- 'পেহী, মোৰ কথা শুনি তুমি দেখোন কান্দি পেলালা। মই কিবা দুখ লগালো নেকি পেহী'? পেহীয়ে একো উত্তৰ নিদিলে আৰু ৰংপীয়ে পেহীৰ উত্তৰ নাপাই পেহীৰ মনৰ গোপন ৰহস্যৰ কথা জানিবলৈ বাৰে বাৰে প্ৰশ্ন কৰি থাকিল। শেষত পেহীয়ে সকলো কথা কবলৈ ধৰিলে।

পেহী ঃ এই যে নদীখন দেখিছ, নদীখনৰ সৌ সিটো পাৰে এখন গাঁও আছিল। গাওঁখনৰ নাম ৰাখিছিল 'মিলন' গাওঁ। গাওঁখনৰ মানুহখিনিৰ মনবোৰ সিমান ভাল নাছিল যদিও আমাৰ গাঁওৰ মানুহখিনিৰ লগত সম্পৰ্ক বৰ বেয়া নাছিল। আমাৰ গাঁওৰ উৎসৱ পাৰ্বনত সিখন গাওঁৰ ডেকা, গাভৰুৱে সহায়-সহযোগিতা কৰে আৰু সিহঁতৰ গাঁৱৰ উৎসৱ-পাৰ্বনত আমি আমাৰ ডেকা-গাভৰু সকলোৱে সহায় কৰে।

বহাগৰ বিহু ওচৰ চাপিল। ডেকা গাভৰু সকলোৰে মনত আনন্দ উল্লাসে নধৰা হয়। মৰমীহঁতে চেনাইহঁতলৈ বিহুৱান লগোৱাত ব্যস্ত আৰু আমাৰ গাঁৱৰ মৰম লগা ধুনীয়া ডেকা মানে মোৰ চেনাই 'কানাই' ৰংপীয়ে ঢোলত চাপৰ মাৰিলে আমাৰ সকলোৰে গাত তত্ নোহোৱা হয়। কানাই আৰু মই আমি দুয়ো দুয়োকে বহুত ভাল পাইছিলো। মই আমাৰ গাঁৱৰ গাঁওবুঢ়াৰ একমাত্ৰ জীয়ৰী আৰু কানাই আমাৰ একেই গাৱৰেই এজন দুখীয়া খেতিয়কৰ একমাত্ৰ সন্তান। যদিও সিহঁতৰ একো নাছিল, সিহঁত দুই বাপেক-পুতেক বৰ ভদ্ৰ আৰু মৰমীয়াল আছিল আৰু কানাইটো গাঁৱৰ সকলো ডেকাতকৈ বেলেগ মানে তাৰ চৰিত্ৰ স্বভাৱ, আচাৰ-ব্যৱহাৰ এই সকলোবোৰ শলাগ লবলগীয়া। সেয়েহে মোৰ পিতাই তাৰ লগত থকা সম্পৰ্কক মৰমেৰে আদৰি লৈছিল।

বহাগৰ বিহুৰ উৰুকাৰ দিনা জাকৈ-জুলুকি, জাল, প'ল আদি লৈ নৈপাৰলৈ দুইখন গাঁৱৰ মানুহে মাছ মাৰিবলৈ বুলি ওলাই আহিল। সিখন গাঁৱৰ এটা ডেকা ল'ৰা তাৰ নাম আছিল হৰেন। সি মানুহটো বৰ তেৰা। সি আনৰ ভাল দেখিব নোৱাৰা বিধৰ। সি মাছ মাৰিবলৈ অহা সিহঁতৰ মানুহখিনিক আমাৰ গাঁৱৰ মানুহখিনিক মাছ মাৰিবলৈ বাধা দিবলৈ ক'লে আৰু সিহঁতৰ গাঁৱৰ মানুহখিনিয়ে তাৰ কথা শুনি মাছ মাৰিবলৈ বাধা দিলে। পাছত মোৰ দেউতা মানে গাঁৱৰ গাওঁবুঢ়াক মাতি গধুলি বিচাৰ বহালে। বিচাৰত সকলো ঠিকেই হ'ল।

বহাগৰ বিহুৰ দিনা মই আৰু কানাই নৈপাৰত বহি কথা পাতি আছিলো। এনেতে সিখন গাঁৱৰ ডেকা হৰেণে আমাক দুয়োকে নৈপাৰত একেলগে থকা দেখি মোৰ পিতাইৰ আগত কানাইৰ বিষয়ে বেয়াকৈ কলে। কিন্তু মোৰ পিতাই তাৰ চৰিত্ৰৰ কথা আগতেই জনাৰ বাবে সি কোৱা কথা বিশ্বাস নকৰিলে। পাছৰ দিনা সি কানাইক অকলে লগ ধৰি মোক লগ নধৰিবলৈ ভাবুকি দিলে। কিন্তু কানাই তাৰ কথাত গুৰুত্ব নিদিয়াত সেইদিনা আবেলি সি আমাৰ ঘৰ পালেহি মোক লগ ধৰিবলৈ বুলি। তেতিয়া পিতাই ঘৰত নাছিল আৰু মই মোৰ দুজনী বান্ধৱী (তৃষ্ণা আৰু চম্পা)ৰ লগত ধান খুন্দাত ব্যস্ত। তেনেতে হৰেণে পাছফালৰ পৰা মোক মাত লগালে।

হৰেণ ঃ ঐ মৰমী, মৰমী ঐ ঘৰত আছনে?

ধান খুন্দাৰ পৰা আঁতৰি পাছফালে চাই দেখিলো হৰেণক। মই তাক মাতি আনি বহিবলৈ দিলো।

মৰমী ঃ হৰেণ ককাইটি আজি কি মনত পৰি ধুমকেতুৰ নিচিনাকৈ আমাৰ ঘৰলৈ ওলালা। কিবা কথাত আহিলা হ'বলাঙ্গ আজি কিন্তু পিতাই ঘৰত নাই। কিবা যদি কথা আছে মোৰ আগতে কোৱা, মই পিতাইক কম বাৰু।

হৰেণ ঃ নাই অ' মৰমী, তোৰ পিতাইৰ লগত মোৰ কথা নাই, মই তোকহে লগ পাব আহিছিলো। বহুদিনৰ পৰা তোক কথা এটা কম কম বুলি কবই পৰা নাই। আজি ভাবিলো তই বেয়া পালেও মই কথাটো কৈহে যাম।

মৰমী ঃ অ' হৰেণ ককাইটি তোমাৰনো মোৰ লগত কি কথা কব লগা আছে? কোৰ আকৌ পিতাই আহি তোমাৰ লগত কথা পাতি থকা দেখিলে গালি পাৰিব।

হৰেণ ঃ 'মৰমী, তোক মোৰ বহুত ভাল লাগে অ'। মই তোক বৰ ভাল পাওঁ। তই যদি মান্তি হ, মই তোৰ বাপেৰক সুধি চাম তোৰ আৰু মোৰ বিয়াৰ কথা'। মই হঠাতে উচপ খাই উঠিলো আৰু মোৰ বহুত খং উঠিল আৰু মই খণ্ডতে তাক বহু বেয়াকৈ কৈ পেলালো।

মৰমী ঃ 'হৰেণ ককাইটি মই তোমাক মোৰ ডাঙৰ ককাই সমান জ্ঞান কৰোঁ আৰু তুমি মোৰ প্ৰতি এনে ভাব লৈ আছা। তুমি নাজানা নেকি কানাইৰ লগত যে মোৰ বিয়া ঠিক হৈ আছে? মই কানাইৰ বাহিৰে বেলেগ কাকো ভাল নাপাওঁ আৰু মই তাৰু বাহিৰে আনৰ লগত বিয়াত নবহোঁ'। মোৰ কথা শুনি হৰেণেও খংত মোক ক'লে—

হৰেণ ঃ 'শুন মৰমী, মই তোক ভালপাওঁ, মোৰ বাহিৰে তোক কোনেও বিয়া কৰাব নোৱাৰে। সি লাগিলে কানাই হওঁক বা আন কোনোবা, তাক মই কাটি দুডোখৰ কৰি পেলাম আৰু এটা কথা, আজিৰ পৰা যদি তই কানাইক লগ ধৰা দেখা পাওঁ, তাক মই কাটি নৈত পেলাই দিম, বুজিছ নহয়'?

এনেকৈ কৈ সি গুচি গ'ল আৰু মই সকলো কাম এৰি কানাইৰ ঘৰ পালোগৈ। তেতিয়া কানাই ঘৰত জাল বান্ধি আছিল আৰু সি মোক সুপাই জোপাই অহা দেখি বহিবলৈ দি সুধিলে-

কানাই ঃ 'মৰমী, তই আজি এনেকৈ আহিছ যে কিবা হ'ল হবলা'?

মৰমী ঃ 'কানাই, মই আজি তোৰ ঘৰলৈ একেবাৰে গুচি আহিছো তই, মোক আকোঁৱালী লবিনে?

কানাইয়ে হঠাৎ বহাৰ পৰা উঠি ক'লে, 'মই তোক ভালপাওঁ, সেইটো আমাৰ গাঁৱৰ সকলোৱে জানে। তাৰ পাছত এনেকৈ বিয়া কৰোৱাটো ভাল কথা নহব। তই ঘৰলৈ উভতি যা আৰু কেইদিনৰ পাছতেই তোক মোৰ ঘৰলৈ বিয়া কৰাই লৈ আনিম। তই চিন্তা কৰিব নালাগে।'

কানাইৰ কথা শুনি মই ঘৰলৈ গুচি আহিলো। কেইদিনমানৰ পিছত ধান কটাৰ উৎসৱত গাঁৱৰ সকলো মানুহেই পথাৰলৈ ধান কাটিবলৈ গ'ল। এনেতে হৰেণে আকৌ আগৰ দৰে সিহঁতৰ গাঁৱৰ মানুহক লগাই কানাইৰ দেউতাকে কৰা খেতি ডৱা নচপাবলৈ ধমকি দিলে। এইবোৰ কিয় কৰিছে কানাই মনিব পাৰি তাৰ কথাঁলৈ কাণ নিদি পথাৰলৈ বুলি ওলাই গ'ল। পথাৰলৈ যোৱা পথত হৰেণে কেইজনমান ডেকা লগতলৈ ৰৈ আছিল। কনাই পথাৰ গৈ নৌপাওতেই সিঁহত গোটেইকেইটাই তাক মাৰপিট কৰিবলৈ আগুৱাই আহিল। কানাই সিহঁতৰ উদ্দেশ্য বুজিব পাৰি সিহঁতক ক'লে-

কানাই ঃ 'চোৱা হৰেণ ককাইটি, মইতো তোমাৰ লগত কাজিয়া কৰিবলৈ অহা নাই, মোকমোৰকাম কৰিবলৈ যাব দিয়া।'

কিন্তু সিহঁতে কানাইৰ কথা নুশুনি অভদ্ৰামি কৰি থাকিল। কানাই সিহঁতৰ লগত কাজিয়া নকৰি পথাৰলৈ নগৈ ঘৰলৈ গুচি আহিল আৰু সন্ধিয়া দুয়োখন গাঁৱৰ মানুহ মাতি নৈৰ পাৰত বিচাৰ বহালে। হৰেণহঁতৰ গাঁৱৰ সকলো মানুহ বৰ উগ্ৰ হৈ আছিল। গাওঁবুঢ়া আহি পোৱাৰ পাছত বিচাৰ আৰম্ভ হ'ল। গাওঁবুঢ়াই বিচাৰ সম্পূৰ্ণ কৰিব নোপাওতেই হৰেণহঁতৰ গাঁৱৰ মানুহবোৰে হৰেণলৈ গাঁওবুঢ়াৰ জীয়ৰী মৰমীক নিদিয়াৰ উদ্দেশ্য কৰি গাওঁবুঢ়াৰ লগতে গাৱঁৰ বুঢ়া, বেটা সকলোকে মাৰধৰ কৰিবলৈ আহিল। এজন এজন কৈ গাঁৱখনৰ সকলো মানুহকে কাটি কাটি নৈত পেলাই দিলে। তাৰ মাজত মোৰ মৰমৰ কানাইক এজনে কাটিছিল।

জান ৰংপি সিহঁতে মোৰ কানাইক মাৰি নদীত পেলাই দিলে আৰু মোৰ চকুৰ আগত কানাইৰ তেজেৰে নৈখন ৰাঙলী হৈ বৈ গ'ল। মোৰ অন্তৰৰ সকলো সপোন সকলো মৰম ভাল পোৱা আশা-আকাংক্ষা উৰে জীৱনৰ বাবে ভাগি চুৰমাৰ হৈ বৈ গ'ল। মোৰ জীৱনটো যেন এটা শামুকৰ খোলা হৈ বৈ গ'ল।

আৰু মই গোটেই জীৱনটো কানাইক লৈ যোৱা এই নদীখনকে আপোন কৰি ললো। এই নদীখনে যেন মোক মোৰ কানাইৰ সকলো খবৰ দিয়ে আৰু নদীখনে কৈ যায় কানাইৰ বহুতো মৰমৰ কথা।

সেইদিনাহে নৈপাৰৰ ওলোৱা সেই হাড়-মূৰবোৰৰ কথা যেন ৰংপীয়ে ভালদৰেই বুজিব পাৰিলে







আৰু বুজি পালে এহাল সুন্দৰ ডেকা-গাভৰুৰ ভাবিব নোৱাৰা প্ৰেমৰ পৰিণাম। ৰংপীয়ে উচুপি উচুপি কৈ যাবলৈ ধৰিলে ঃ হেৰা, অতীতৰ কানাইৰ স্মৃতি জীয়াই লৈ ফুৰা নৈখনৰ পাৰত তুমি ইমান গভীৰ হৈ বহি থাকা কিয়, মই আজিহে বুজিলো। তুমি এখন নৈ নহয় তুমি মৰমী কানাইৰ মৰমৰ স্মৃতি, তোমাৰ ওপৰেদি বৈ থকা বতাহজাক মৰমী আৰু কানাই, নিৰৱে কৈ যোৱা তুমি মৰমীৰ মৰম ভাল-পোৱাবোৰৰ কথা।

হেৰা মৰমৰ নদীখন এনেকৈয়ে দি যাবা তুমি তোমাৰ মৰমৰ কনেংক কাংকানৰ হৃদয়ৰ বতৰা। বৈ থাকিবা তুমি দুয়োৰে মৰমবোৰ বুকুত লৈ আৰু এই যে তোমাৰ মলয়া বতাহ জাকক কৰা সদাই যেন এনেদৰে পবিত্ৰ হৈ মৰমীক মৰমৰ বতৰা দিবলৈ। তুমি পবিত্ৰ হৈ থাকা আৰু প্ৰেমক পবিত্ৰ কৰি ৰাখা।

❖❖❖

## ডাকৰ বচন

১। আহিন-কাতি ৰাখিব পানীক,
যেনেকৈ ৰাখে ৰজাই ৰাণীক।

২। আহু চাবা গধুলি, শালি চাবা পুৱা।
জাকৈ বাওঁতে ছোৱালী চাবা,
কোন কেনেকুৱা।

৩। কামত শুদ্ধ নাপিতৰ হাত,
জ্ঞাতিৰ শুদ্ধ মুখত ভাত।

৪। খেতি কৰিবা বাৰে,
বেপাৰ কৰিবা নাৰে।

৫। ঘন সৰিয়হ পাতল মাহ,
আবৰণ দিবা কপাহ বাঁহ।

৬। ছাতি, লাঠি, টনা,
যি পুৰুষৰ নাই সি দিনতে কনা।

৭। নদীৰ কাষত নুৰুৱা আহু,
জোৰাইৰ কাষত নাথাকিবা শাহু।

৮। পুহত কল, মাঘত জল,
যি খায়, সাত তেৰাব বল।

৯। ভাদত জল আহিনত কল,
কাতিত কচুৰে বঢ়াই বল।

১০। শাওনৰ পানী ৰাৱনে খায়,
ভাদৰ পানীত ঘৰ তল যায়।

—কামাখ্যা দাস
স্নাতক পঞ্চম ষাণ্মাসিক

## জানিবলগীয়া কথা

১। কোন চৰায়ে মানুহৰ দৰে খোজকাঢ়ে?
উত্তৰ ঃ পেঙ্গুইন।

২। কোন চৰাইৰ ডেউকা নাই?
উত্তৰ ঃ কিউ ই চৰাইৰ

৩। কোন ঠাইৰ জন্তুৰ ৰং বগা?
উত্তৰ ঃ মেৰু প্ৰদেশৰ

৪। তাজমহলৰ উচ্চতা কিমান?
উত্তৰ ঃ ১৭৮ ফুট

৫। তাজমহলৰ প্ৰধান কাৰিকৰ জনৰ নাম কি?
উত্তৰ ঃ ওস্তাদ ঈশা

৬। কোন চৰায়ে উৰি যাওঁতে কণী পাৰে?
উত্তৰ ঃ হোমা চৰাই

৭। কোন নদীত মাছ নাই?
উত্তৰ ঃ জৰ্ডন নদীত

৮। ময়ূৰৰ নেজত কেইটা পাখি?
উত্তৰ ঃ ১৮ টা

৯। ক'লা বৰণৰ ৰাজ হাঁহ ক'ত আছে?
উত্তৰ ঃ পশ্চিম অষ্টেলিয়াত

১০। কোন পশুয়ে পানী নাখায়?
উত্তৰ ঃ আফ্ৰিকাৰ কৃষ্ণ মৃগই

—পুনম দাস
স্নাতক পঞ্চম ষাণ্মাসিক

# মোৰ জীৱনৰ কিছু কথা

—প্ৰকাশ মণ্ডল
স্নাতক প্ৰথম ষাণ্মাসিক

মই এজন সাধাৰণ ঘৰৰ ল'ৰা আৰু সাধাৰণ ঘৰৰ ল'ৰা হিচাপে সাধাৰণ ভাৱে থাকিয়েই ভাল পাওঁ। মই মোৰ পৰিয়ালবৰ্গৰ যি স্নেহ-ভালপোৱাৰ মাজত থাকো তাতে মোৰ সন্তুষ্টি। এই মৰম-স্নেহ হেৰুৱাব নিবিচাৰোঁ আৰু ইয়াতকৈয়ো আৰু বিশেষ আশাও নকৰো। সেয়ে মই 'প্ৰেম' নামৰ শব্দটোৰ পৰা আঁতৰি থাকিব বিচাৰো, কাৰণ প্ৰেমত যি সুখ পোৱা যায় তাৰ পৰা পোৱা দুখ অতি ভয়ানক। যিয়ে ধ্বংস কৰি দিব পাৰে সকলোৰে জীৱন। আকৌ মই মোৰ পৰিয়ালৰ সুখৰ বাবে দায়বদ্ধ। সেয়ে মোৰ জীৱনৰ লগৰীৰ বাবে কোনো ছোৱালীৰ কথা ভৱাই নাই। কিন্তু এজাক অদ্ভূত ধুমুহাৰ দৰে মোৰ জীৱনলৈ আহিল এজনী অতি ধুনীয়া ছোৱালী। কিন্তু মই তাইৰ মৰমৰ পৰা যিমান পাৰো আঁতৰি থাকিব বিচাৰিছিলো। তাইৰ মনৰ কথা মোক পোনে পোনে নকলেও বিভিন্ন ভাৱ-ভংগীৰে বুজাব বিচাৰিছিল। মই সকলোখিনি বুজিও তাইৰ আগত নুবুজাৰ ভাওঁ ধৰিছিলোঁ। কিন্তু তাইৰ ভাব-ধাৰণাই মোক বাৰে বাৰে আমনি কৰিছিল আৰু মোৰ অন্তৰে কৈছিল তাইৰ মৰমক মই সহাঁৰি জনাব লাগে। সেয়ে মোৰ বহু ভাৱনাৰ মাজত সোমাই পৰিল তাই। মই তাইৰ মৰমক আদৰি ললোঁ। এতিয়া মোৰ অন্তৰত মাথো তাইৰে ছবি। হয়তো তাইৰো। তথাপি মোৰ মনত মাজে মাজে ভয় জাগি উঠে। জানোচা কেতিয়াবা তাই মোৰ জীৱনৰ পৰা আঁতৰি যায়। তাৰে ভয়ত মই তাইৰ প্ৰায় সকলো ধৰণৰ ইচ্ছা পূৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ। কাৰণ মই নিবিচাৰো মোৰ মৰম পায়ো হেৰুৱাওঁ। মই শুনিছিলো "নোপোৱাটো ডাঙৰ বিষয় নহয় কিন্তু পাই হেৰুৱাটোহে কষ্টকৰ"। এনেদৰে সুখ-দুখৰ মাজেৰে পাৰ হৈ গ'ল বহুদিন বহু বছৰ। মই এইটো ভৱা নাছিলো যে কেতিয়াবা আমাৰ বিচ্ছেদৰ সময় আহিব। কিয়নো এসময়ত তাইৰ অন্তৰত আছিলো মাথো মই। কিন্তু বহু নীৰৱতাৰ মাজত এটা ডাঙৰ ছুনামী অহাৰ দৰে আহিল মোৰ জীৱনতো সেই চুনামী। তাই মোৰ জীৱনৰ পৰা লাহে লাহে আঁতৰি যাব ধৰিলে। বহু ভাবনাৰ পিছতহে মই ইয়াৰ প্ৰকৃত কাৰণ জানিব পাৰিলো। (I don't want to explain this cause) মই অলপ গহীনভাৱে কলে হয়তো তাই মোৰ জীৱনৰ পৰা আঁতৰি নগলহেঁতেন। কিন্তু মই তাইক বিশেষ একো কোৱা নাছিলোঁ। কাৰণ তাইৰ সুখে মোৰ সুখ আৰু তাইৰ দুখে মোৰ দুখ আছিল। তথাপি ইমান দিনৰ সম্পৰ্ক ইমান সহজে ভাঙি যোৱাটো বৰ কষ্টকৰ আছিল আৰু ময়ো কষ্ট অনুভৱ কৰিছিলো। মই ভাবিছিলো ধুমুহাই যিদৰে খন্তেকতে ঘৰ, দুৱাৰ ভাঙি-চিঙি লৈ যায় প্ৰেমৰ এনে বেদনায়ো জীৱনৰ লক্ষ্য জীয়াই থকাৰ ইচ্ছা আদি ধ্বংস কৰি পেলায়। ময়ো প্ৰথম অৱস্থাত এনে অনুভৱ কৰিছিলো। মই ভাবিছিলো মোৰ জীৱনৰ গতি পথ হয়তো ইয়াতে শেষ। কিন্তু সাধাৰণ এটা বাক্যই মোৰ জীৱনৰ গতি পথ সলনি কৰিবলৈ বাধ্য কৰালে। যে— "দুখ সহিব পৰা জনেহে জীৱনত সুখী হ'ব পাৰে। আনক দুখ দিয়াজনে কেতিয়াও জীৱনত সুখী হ'ব নোৱাৰে।" সেয়ে মই মোৰ দুখ সহ্য কৰি মোৰ জীৱনৰ লক্ষ্যলৈ আগবাঢ়িব ধৰিছো।





এতিয়াও সেই ভাৱনাই মোক কেতিয়াবা কেতিয়াবা কবিতা ৰচিবলৈ বাধ্য কৰে। তাৰে ফলস্বৰূপে গঢ়ি উঠা মোৰ এটা সৰু কবিতা—

মই ভুল ভাবিছিলোঁ।
ভাবিছিলো তুমি মোক বুজিবা
অন্তৰৰ নিভৃতম্ কোণৰ পৰা
উজাৰি উলিওৱা হাঁহি-কান্দোন ব্যৰ্থতাৰ
মৰ্ম উপলব্ধি কৰি
তুমি মোক দিবা শান্তনা
কিন্তু মই ভুল বুজিছিলো...।

❖❖❖

## মহৎ লোকৰ বাণী

১। ভাল কাম কৰিবলৈ অসাধাৰণ সুযোগ আহিব বুলি অপেক্ষা নকৰিবা। সাধাৰণ অৱস্থাৰেই সদ্ ব্যৱহাৰ কৰা।

*—জ্যাপল ছাব্রে।*

২। মহান মানুহৰ শ্ৰেষ্ঠত্ব প্ৰমাণিত হয় সাধাৰণ মানুহৰ সৈতে কৰা সহৃদ্যতাপূৰ্ণ ব্যৱহাৰত।

*—কাৰ্লাইল।*

৩। নিজৰ ভূল সংশোধন কৰা। ভুলটো স্থায়ী কৰিবলৈ অভিনয় নকৰিবা।

*—উইলিয়াম শ্বেক্সপীয়েৰ।*

৪। মান, যশ আৰু ঐশ্বৰ্য বিভূতি মানুহে কামনা কৰে, সেয়া যদি অসৎ উপায়েৰে আহে, মানুহে তাক ত্যাগ কৰিব লাগে। দাৰিদ্ৰ আৰু বিপৰ্যয় কোনো লোকে পছন্দ নকৰে, যদিহে সেয়া অসৎ প্ৰচেষ্টাৰ ফলত আৰ্জিত হয় তাৰ বাবে মানুহে লাজ পোৱা অনুচিত। —কনফুচিয়াচ।

৫। অন্য লোকৰ সুখ-দুখ আৰু লাভ-লোকচানক যিবিলাকে নিজৰ বুলি চিন্তা কৰিব পাৰে তেওঁলোককেই প্ৰকৃত মানুহ বোলা উচিত।

*—স্বামী বিবেকানন্দ।*

৬। জন্মিলে মৰিব লাগে, মৰিলে পুনৰ লগে লগে উপজিব, মাজখিনি মাথো আত্মাৰ ভৰুণ জীৱনৰ ক্ষণিক ব্যস্ততা। জন্ম আৰু মৰণ দুয়োটা ধ্ৰুব, আছে জানো সেই মৰণৰ বাবে বিষাদৰ কিবা অৱকাশ।

*—গীতা।*

৭। পৃথিৱীত ভয়ক যদি কোনোবাই অতিক্ৰম কৰিব পাৰে, মৃত্যুক উপেক্ষা কৰিব পাৰে, বিপদক তুচ্ছ কৰিব পাৰে, মমতাক আগ্ৰাহ্য কৰিব পাৰে, তেন্তে সেয়াই প্ৰেম।

*—ৰবীন্দ্ৰ নাথ ঠাকুৰ।*

সংগ্ৰাহক ঃ ৰুমী শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক

# সপোনৰ দোমোজা

—কাকলি কাঠাৰ
স্নাতক পঞ্চম যাণ্মাসিক

আজিৰ পৰা ছয়-সাত বছৰ হ'ল অনুজদাদা তেওঁৰ পৰিয়ালৰ সৈতে অৰ্থাৎ তেওঁৰ পত্নী অৰুনিমা, ল'ৰা সিদ্ধাৰ্থ আৰু ছোৱালী নীলঞ্জনাৰ সৈতে আমাৰ এই সৰু ঠাইটুকুৰাত স্থায়ী মানুহৰ দৰে হৈ পৰিছে। তেওঁলোকে ওচৰৰে সৰু কাৰখানাটোত কাম কৰি জীৱিকা নিৰ্বাহ কৰে। তেওঁলোকে প্ৰথম ইয়ালৈ আহোতে তেওঁলোকৰ প্ৰথম সন্তান সিদ্ধাৰ্থৰ বয়স ৫ বছৰমান হৈছিল আৰু নীলঞ্জনাৰ জন্ম আমাৰ ঠাইটুকুৰাতে। সেয়ে হয়তো নীলাঞ্জনা আৰু সিদ্ধাৰ্থৰ প্ৰতি আমাৰ সকলোখিনি ওচৰৰ মানুহৰে মৰম-চেনেহৰ ভাবটো অলপ বেছি। অৱশ্যে সিহঁতকেইটাৰ মৰম-চেনেহ অলপ বেছি হোৱাৰ কাৰণ হ'ল, সিহঁতকেইটাই ডাঙৰ মানুহৰ কথা নেপেলায়; যিয়ে যি ধৰণে কয় ঠিক তেনে ধৰণেৰে সিহঁতে কৰি দিয়ে আৰু মানুহক ইমান সুন্দৰ ব্যৱহাৰ কৰে যে যিকোনো মানুহে প্ৰসংশা নকৰি নোৱাৰে। আমাৰ মানুহখিনিয়ে যদিও মৰম-চেনেহ কৰে তথাপি তেওঁলোকৰ ঘৰুৱা সম্পৰ্কটো অলপ কম কিন্তু মোৰ তেওঁলোকৰ প্ৰতি অলপ সম্পৰ্কটো গাঢ়। এই পৰিয়ালটোৰ লগত যদিও মোৰ তেজৰ সম্পৰ্ক নাই, তথাপি কিন্তু মোৰ প্ৰতি তেওঁলোকৰ যি আন্তৰিকতা বহুগুণে দেখা পাওঁ আৰু তেওঁলোকৰ প্ৰতিটো কথা, দিশো ময়ো কম নোচোৱা নহয়। সেয়ে মই মোৰ কোনোবা সম্পৰ্কীয়ৰ দৰে দাদা বাইদেউ বুলি জ্ঞান কৰোঁ।

অনুজদাদা মানুহজন যদিও আমাৰ জাতিৰ নহয়, তথাপি কিন্তু সকলো মানুহৰ লগত মিলি যাব পৰা আৰু একেলগে মিলিজুলি থাকিব পৰা দক্ষতা মানুহজনৰ আছে। সেয়ে তেওঁ প্ৰতিটো বিহু, পূজাত এই মানুহখিনিৰ লগত একেলগে উদ্‌যাপন কৰি আহিছে। মানুহ হিচাপে অতি সাধাৰণ আৰু নিৰ্জু স্বভাৱৰ। সেয়ে তেওঁলোকৰ ল'ৰা-ছোৱালী হালৰো অনুজদাদাৰ দৰে যিকোনো মানুহৰ প্ৰতি ভদ্ৰ ব্যৱহাৰ কৰা দেখা যায়। সিদ্ধাৰ্থ আৰু নীলাঞ্জনাই মোক বুলিলে পৰি মৰে। সিহঁতহালে আকৌ মোক মৌমিতা মাহী বুলি নকয়, কয় মৌমাহী বুলি।

আচলতে অনুজদাদাই তেওঁৰ ঘৰখন বহুকষ্ট কৰি চলাইছে বা চলায় বুলি মই জানো। কেতিয়াবা অনুজদাদাই কামৰ পইচা-পাতি সপ্তাহত নাপালে বৰ দিগদাৰ হয়। তেতিয়া মই আমাৰ ঘৰৰ পৰা চাউল আৰু পাছফালৰ বিভিন্ন ধৰণৰ শাক-পাচলি তেওঁলোকৰ ঘৰত দি আহো কোনেও গম নোপোৱাকৈ, কাৰণ মাক-দেউতাকৰ যিয়েই নহওঁক সৰু ল'ৰা-ছোৱালীহালৰ কথা চিন্তা কৰি দি আহো।

এনেদৰে তেওঁলোকৰ ল'ৰা-ছোৱালীহাল আমাৰ মাজত ডাঙৰ হৈছে। কিন্তু ছয়মাহমান হ'ল অনুজদাদাহঁত আমাৰ ঠাইখনৰ পৰা ২০ কিলোমিটাৰ আঁতৰত এটা নতুন ফেক্টৰী চলিছে। তাত সেই কামৰ বাবে ইয়াৰ কামটোতকৈ সেই কামটোৰ দৰমহা বেছি। অইন নহ'লেও, এসাজ ভালকৈ খোৱাটো বা ল'ৰা-ছোৱালী হালক পঢ়া-শুনাত অলপ সহায় হ'ব এই টকাৰে। তেওঁলোক যোৱাৰ সকলো ব্যৱস্থা হোৱাৰ পিছত মোৰ মনত যদিও অত্যন্ত বেয়া লাগিছে, তথাপি





মনতে শান্তি লভিছোঁ যে এখন ঘৰ ভালদৰে চলক। যাবৰ সময়ত দাদা-বাইদেউ আৰু ল'ৰা-ছোৱালীহালে যেতিয়া সাৱটি ধৰিলে মনে আৰু নেমানিলে। সামৰি-সুতুৰি ৰখাই থোৱা বেদনাৰ জোৱাৰবোৰ হৰহৰকৈ ওলাই আহিল। এমাহমান হ'ব মই গৈ চাই আহিলোঁ তেওঁলোকৰ নতুন ঠাইটুকুৰা। বহুদিনৰ মূৰত লগ পাই নীলাঞ্জলা আৰু সিদ্ধাৰ্থৰ মনটো ভাল লাগিছিল বহুগুণে। বাইদেউৱে ক'লে, 'জান মিতা, সিহঁতৰ টিউচনৰ বাইদেউ গৰাকীক ইহঁতে কি কয়'? মই সুধিলো, 'কিনো কয়'? বাইদেউৱে হাঁহি হাঁহি চাহৰ ব্যৱস্থা কৰিছিল। 'এইজনীয়ে কি পঢ়ায় বুজিকে নাপাওঁ। আমাৰ মৌ মাহীয়ে কিমান ধুনীয়াকৈ পঢ়ায়'। তুমি পঢ়াব নাহা নেকি মাহী? সিহঁতৰ কাণ্ড শুনি মোৰো হাঁহি উঠিল। দোয়োটাকে মাতি আনি ক'লো ডাঙৰক তেনেকৈ ক'ব নাপায় নহয়। জান মিতা, এদিন সেই ছোৱালীজনীয়ে সুধিয়েই পেলালে, 'অ' বাইদেউ, এই মৌ মাহী কোননো? ইহঁতক বোলে ভালদৰে পঢ়ায়'? পিছত মই ক'লো, তোৰ কথা আচলতে ইহঁতে পাহৰিব পৰা নাই, সেয়েহে যিকোনো সময়ত তোৰ কথা কৈ থাকে। ই মান দিনৰ মুৰত ল'ৰা-ছোৱালীহালেও মোক পাই এৰিকে দিব নোখোজিছিল। কিন্তু আবেলি হোৱাৰ বাবে মই ঘৰমুৱা গাড়ী এখনত উঠি দিছিলোঁ। গোটেই গাড়ীত বহি অহা সময়খিনি অনুজদাদাক যদিও লগ পোৱা নাছিলোঁ তথাপি ঘৰখনৰ কথাকে ভাবি আহিছিলোঁ।

আচলতে মই যি ভাবি গৈছিলোঁ তাৰ বিপৰীত দৃশ্যহে যে মোলৈ বাট চাই আছিল মই ভৱা নাছিলোঁ। কোঠাটো যদিও পকাঘৰ তথাপি এটা আহল-বহল কোঠা। তাকেই আকৌ দুটা ভাগত ভগাইছে; এটা ৰন্ধাৰ বাবে আৰু আনটো শোৱা কোঠা। কোঠাটো প্ৰয়োজনতকৈ ইমান চাপৰ আছিল যে বিছনাখনত উঠি থিয় দিলেই ফেনত গ'ল কটা যোৱা বিধৰ। সেইদিনাই চাগে মই ইমান চাপৰ ঘৰত সোমাইছিলো আৰু কোঠাটো চাৰিওফালৰপৰা পোহৰ সোমাব পৰা বিধৰ নহয়, দিনতে এন্ধাৰ হৈ থাকে। যি অৱস্থাত আছে মোৰ বেয়াও লাগিছে, তথাপি উপায়ো নাই কি কৰিম কথাবোৰ ভাবি ভাবি হুমুনিয়াহ এটা সৰি পৰিল। মোৰ ঠাইখন পোৱাত লৰালৰিকৈ ঘৰৰফালে খোজ দিলোঁ।

কেইদিনমান হ'ল অনুজদাদাৰ ল'ৰা সিদ্ধাৰ্থ ইয়াত থাকোতে আইতা পাতি লোৱা মানুহগৰাকীৰ ঘৰত আছেহি। আমাৰ ঘৰলৈয়ো আহিছে কিন্তু আগৰ সেই ফুৰ্ত্তিবাজ ল'ৰাটো এতিয়া নাই।

চাওঁতে চাওঁতে ডেৰমাহমান হ'ল সিদ্ধাৰ্থ অহাৰ কিন্তু যোৱাৰ কোনো লক্ষণ নেদেখি এদিন আইতাকৰ মুখেৰে জানিলোঁ আচল ঘটনাটো কি? ভাবিলো এতিয়া আৰু ইহঁতৰ পঢ়া নহ'ব কিজানি। ল'ৰা-ছোৱালীহাল পঢ়াত ভাল আছিল, বেয়াও লাগিছে। কিন্তু মই এই বিষয়ে সিদ্ধাৰ্থক যেনেকৈ পাৰো সুধিব লাগিব। যদি সিদ্ধাৰ্থই দুখ পায় তাক লৈহে চিন্তা। সেই মতে এটা সুবিধা আহিল। সিদিনাখন ঘৰত কোনো নথকাত সিদ্ধাৰ্থক মতাই আনি যি শুনিলোঁ মই তাক কি বুলি সান্ত্বনা দিব পাহৰি গ'লো। মোৰ অৱস্থা দেখি সি গুচি গ'ল। কেতিয়া গ'ল তাকো ক'ব নোৱাৰো। কিমান সময় এনেদৰে বহিছিলো তাকো নাজানো। বহু সময়ৰ মূৰতহে দেউতাই মাত দিয়াত বাস্তৱলৈ ঘুৰি আহিছিলোঁ।

আচলতে আমাৰ ঠাইটুকুৰাত থাকোতে মই শুনিছিলো মাহঁতৰ মুখত। অৰুনিমা বাইদেউৰ যে আগৰ পৰা যিকোনো মানুহৰ লগত শাৰীৰিক সম্পৰ্ক কৰিছিল যে মই জানিও নজনা হৈ আছিলো কিন্তু এতিয়া এই অৱস্থা লুপ্ত প্ৰায়। যি কৰিব নালাগিছিল তাকেই কৰিলে। হ'লেও বাইদেউৱে একেটা ভুলকে কৰিব নালাগিছিল। এই ভুলৰ বাবে ল'ৰা-ছোৱালীহালে মানসিক কষ্ট পাইছে। অৰ্থাৎ সিহঁতে যি সময়ত জীৱনৰ বত্তিগছা জ্বালাব খুজিছে, এই সময়ত এনে দুৰ্যোগ। আৰু আনুজদাদা ইমান নিৰ্জু মানুহজনক প্ৰতাৰণা কৰিব নালাগিছিল বাইদেউৱে।

আচলতে অনুজদাদাৰ হাতত টকা নাই বাবে

বাই দেউৰে দাদাৰ মুৰত এটা কোব সোধাব নালাগিছিল। সিদ্ধাৰ্থৰ মতে মাকে যিজন মানুহৰ তালৈ গৈছে বহুত ধনী মানুহ। কিন্তু মানুহজনহে অসমীয়া নহয়, পঞ্জাৱী নে বিহাৰী হেনো, হিন্দি কথা কয় বোলে। বহু কেইদিন আহিছিল হেনো দেউতাক নথকাৰ সময়ত। ভাবিছোঁ সিদ্ধাৰ্থৰ আৰু পঢ়া নহ'ব মইচোন কাম এটা কৰিব পাৰো। মোৰ টিউচনৰ পইচাৰে সিদ্ধাৰ্থৰ পঢ়াৰ খৰচ উলিয়াব পাৰিম যিমান দিনলৈ পাৰো। কিয় জানো কথাটো জানি মনটো এইবাৰ ভাল লাগি গ'ল। কিয় জানো মোক এটা ডাঙৰ সপোন পূৰ্ণ হোৱাৰ দিশত আগবাঢ়িছে এইবোৰ কাম কৰিবলৈতো মন বান্ধিছিলোঁ বহু আগেয়ে। জিনদাদাক খবৰটো দিবলাগিব, সেয়ে আইতাকৰ ঘৰৰ দিশে বাট পোনালোঁ।

❖❖❖

**মহৎ লোকৰ বাণী**

১। শিক্ষক হৈছে এডাল মমবাতি যি নিজে জ্বলি আনকো পোহৰ দিয়ে। —*প্লেটো*

২। ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাই শিক্ষাৰ মূল উদ্দেশ্য। —*ছক্ৰেটিছ*

৩। আমি যাক সৃষ্টি কৰিব নোৱাৰো, তাক ধ্বংস কৰাৰো অধিকাৰ নাই। —*গুৰুনানক*

৪। নতুন নতুন কথা জানি গৈ থকাটো বিদ্যাৰ নৱ নৱ দুৱাৰ মুকলি কৰি গৈ থকাৰ দৰে।
—*উদ্ৰ উইলচন*

৫। জীৱনৰ সময় বৰ কম। পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা। —*কৃষ্ণকান্ত সন্দিকৈ*

৬। যেতিয়ালৈকে মন আৰু আত্মা শক্তিশালী কৰিব নোৱাৰি, তেতিয়ালৈকে শিক্ষা সম্পূৰ্ণ নহয়।
—*মহাত্মা গান্ধী*

৭। সৎ চিন্তাই মানুহক পবিত্ৰ কৰে। — *উপনিষদ*

৮। কিতাপতকৈ মানুহক অধ্যয়ন কৰাটো অধিক প্ৰয়োজনীয়। —*ৰোচে ফাউকাউন্ট*

৯। আত্মৰক্ষা আৰু দেশপ্ৰেম পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। — *জন কলহেন*

১০। ভুলকৈ জনাতকৈ একো নজনাই ভাল। — *ছেক্সপীয়েৰ*

১১। জন্মৰ দ্বাৰা নহয়, কৰ্মৰ দ্বাৰাহে মানুহ মহান হয়। — *মহাবীৰ*

১২। প্ৰেম স্বৰ্গৰ দৰে, কিন্তু ই নৰকৰ দৰে আঘাত দিব পাৰে। —*শ্বাৰ'ন ষ্টোন।*

১৩। জীৱন জুখিবা হাঁহিৰে, বয়স জুখিবা কৰ্মৰে। —*লক্ষ্যধৰচৌধুৰী*

১৪। জীৱিত মানুহক আমি সন্মান কৰা উচিত কিন্তু মৃতকৰ বিষয়ে সত্যৰ বাহিৰে আন একো কোৱা উচিত নহয়। —*ভল্টেয়াৰ*

১৫। কিতাপ এখনক যুদ্ধ এখনৰ দৰেই গুৰুত্বপূৰ্ণ বুলি ক'ব পাৰি। —*বেঞ্জামিন ডিজৰেলি*

সংগ্ৰাহক ঃ সুপ্ৰিয়া দাস
স্নাতক পঞ্চম ষান্মাসিক





# পাক্কম দোষী

—কামাখ্যা দাস
স্নাতক পঞ্চম ষাণ্মাসিক

কোনো এটি অজান যুগৰ কথা। সেই শস্য-মৎস্যে, ফলে-ফুলে ভৰা সোণালী যুগটোত পৃথিৱীৰ কোনো দেশতেই আজিৰ নিচিনা মানুহৰ নানান আহুকাল, অভাৱ-অভিযোগ, জৰাজীৰ্ণতা, মহামাৰী, দুৰ্ভিক্ষ আদি একোৱেই নাছিল। দেশৰ চৌদিশে আছিল জয়জয়-ময়ময় অৱস্থা। সেই যুগত আজিৰ দৰে মানুহে কপালৰ ঘাম মাটিত পেলাই হাড়ভঙা পৰিশ্ৰম নকৰিছিল। তেনে কৰিবৰো কোনো প্ৰয়োজন নাছিল। কাৰণ অলপ কষ্ট কৰিলেই খেতিৰ শস্য লহ-পহকৈ বাঢ়ি আহে। আধা বিঘা মাটিতেই ডাঙৰ পৰিয়াল এটাৰ যথেষ্ট ধান চপায়। এটি প্ৰবাদ আছে— সেই যুগত এটা মাত্ৰ চাউল চৰুত দিলেই বৰ্তমানৰ এক-ডেৰ পোৱা চাউলৰ ভাতৰ সমান হৈছিল। সেই যুগৰ এজন শকত-আৱত মানুহে এটা মাত্ৰ চাউল দি ৰান্ধে আৰু সেয়ে তাৰ কাৰণে যথেষ্ট খাব পৰাকৈ ভাত হৈছিল। সেইদৰে দুজন মানুহৰ কাৰণে দুজনে খাব পৰা চৰুত দুটা মাত্ৰ চাউল দিহে হেনো ৰান্ধিছিল। সেই কাৰণে সেই সময়ত আজিকালিৰ দৰে ইমান হাড়ভঙা পৰিশ্ৰম কৰি ভঁৰালে ভঁৰালে ধান চপোৱাৰ কোনো আৱশ্যক নহৈছিল।

কিন্তু সেই সোনালী যুগতো পাক্কম জাতিটোৰ ক্ষেত্ৰত এই কথা নাখাটিছিল। সিহঁতে কপালৰ ঘাম মাটিত পেলাই কঠোৰ পৰিশ্ৰম কৰে আৰু ভঁৰালে ভঁৰালে ধান চপায়। কিন্তু সেই ধানে বছৰৰ কথাই নকওঁ তিনি-চাৰি মাহো নাটে। সিহঁতৰ জাতিটো ইমান দুখীয়া যে দুখ সিহঁতৰ জন্মগত লগৰীয়া। সেই কাৰণে আন জাতিৰ মানুহে সাধাৰণতে সিহঁতৰ লগত কথাকে নাপাতে। সিহঁতৰ লগত কথা পাতিলে নাইবা যোগাযোগ কৰিলে, সিহঁতৰ দুখীয়া স্বভাৱটোৱেই আন মানুহৰ জাতিলৈ সোঁচৰিব পাৰে বুলি বাকীবোৰ জাতিয়ে বিশ্বাস কৰিছিল। সেই দেখি কোনো জাতিয়ে সিহঁতৰ লগত একো লেনদেন বা যোগাযোগ নকৰিছিল।

এদিনাখন এজনী পাক্কম তিৰোতাই কোনো এজনী মানুহৰ ঘৰত কিবা এটি বিশেষ কামৰ কাৰণে এৰাতি আলহী থাকিবলগীয়া হ'ল। মানুহজনীয়েও গধূলি সময়ত ঘৰত আলহীক বিমুখ কৰি ঘূৰাই পঠাবলৈ বেয়া লাগি সেই ৰাতিৰ কাৰণে থাকিবলৈ দিলে। দুয়ো কথা পাতোঁতে সময় সন্ধ্যা হ'ল। ভাত ৰান্ধিবৰ হ'ল। গতিকে ভাতৰ কাৰণে চাৰিজন মানুহে খাব পৰা এটা চৰু উধানত বহাই থৈ মানুহ জনীয়ে হোৱা এটা লৈ উৰাললৈ কিবা বস্তু আনিবলৈ গ'ল। যাওঁতে তাই পাক্কমক কৈ গ'ল যে তাই অহাৰ আগতে চৰুৰ পানী যদি উতলে, তেতিয়া হ'লে দুচিনৰ পৰা চাউল চাৰিটামান দি ভাত ৰান্ধিব। মানুহজনীয়ে ভঁৰালত কিবা অলপ কৰিবলগীয়া কাম আছিল। সেইদেখি তাইৰ অলপ পলম হ'ল। এনেতে তাই বহাই থৈ যোৱা চৰুৰ পানী বক্‌বক্‌কৈ উতলিবলৈ ধৰিলে। চৰুৰ পানী উতলা দেখি পাক্কমে মানুহজনীয়ে কৈ যোৱা মতে দুচিনৰ পৰা নিজৰ ঘৰত চৰুত চাউল দিয়াৰ দৰে গোটেইসোপা চাউল চৰুত প্ৰায় ভৰ্তি হোৱাকৈ দি দিলে। এনেতে ভঁৰালৰ পৰা মানুহজনীয়ে ঘূৰি আহি পাক্কমক সুধিলে, 'চৰুত কেইটা চাউল দিলা?' পাক্কমে ক'লে,'দুচিনত যিমান চাউল আছিল গোটেইবোৰ চৰুত দিলোঁ।" দুচিনৰ ওচৰলৈ আহি মানুহজনীয়ে

দেখিবলৈ সঁচাকৈ দুচিনত এটাও চাউল নাইকিয়া। তাই আচৰিত হৈ চাৰুডাল ভাতৰ চৰুত দি চালে, চৰুৰ প্ৰায় আধালৈকে চাউল ভৰি আছে।

পাক্কমৰ এনে কাণ্ডজ্ঞানহীন কাম দেখি তাইৰ মনে মনে বৰ খং উঠিল। কিন্তু পাক্কমৰ আগত মনৰ খং প্ৰকাশ নকৰি মাথোন ক'লে, 'ইমানবোৰ চাউল দিলা কেলেই? মই মাত্ৰ চাৰিটা চাউলহে দিবলৈ কৈছিলোঁ। ইমান সৰু চৰুতনো ইমানবোৰ চাউল দিয়েনে? ইমানবোৰ চাউল দিলে চৰু কিজানি ফাটি যাব। পাক্কমে কিন্তু তাইৰ কথাত একো প্ৰত্যয়েই নগৈ মাত্ৰ ক'লে, "চাবা চৰু ফাটি নাযায়। আমি সদায় এনেকৈ চাউল দিহে ভাত ৰান্ধো।" মানুহজনীয়ে চৰুটোলৈ চাই আছে কেতিয়া ফাটিব, কেতিয়া ফাটিব বুলি। কিন্তু চৰৰি জোখাৰেই ভাত হ'ল। খই-বই পাক্কম নিজ ঘৰলৈ গুচি গ'লগৈ।

পাক্কম যোৱাৰ পিছত মানুহজনীয়ে চৰুত আগৰ দৰে তিনিজন মানুহে খাবৰ কাৰণে তিনিটা চাউল দি ভাত ৰান্ধিলে। কিন্তু চৰুত দিয়া চাউল তিনিটা হৈয়েই থাকিল। তাৰ পিছত পাঁচ-ছটা চাউল দিলে, তেতিয়াও একেদৰেই থাকিল। পিছত এমুঠি চাউল চৰুত দিলে, সেয়াও একেদৰেই থাকিল। আগৰ দৰে চৰু ভাতেৰে ভৰি নপৰিল। এই কথা দেখি মানুহজনী একেবাৰে হায়ৰাণ হৈ পৰিল। অৱশেষত উপায় নাপাই পাক্কমজনীয়ে দিয়াৰ দৰে চৰুৰ আধালৈকে উঠাকৈ চাউল দিলতহে আগৰ দৰে চৰুত ভাত ভৰ্তি হ'ল। সেই তেতিয়াৰ পৰা পাক্কমৰ দোষত আজিও মানুহে পূৰ্বে এটা বা দুটা চাউল দি ভাত ৰন্ধাৰ পৰিবৰ্তে বহুত চাউল দি ৰান্ধিবলগীয়া হ'ল।

❖❖❖

**কৌতুক**

শিক্ষকে সুধিলে ঃ সীতা, তোমাৰ কাপোৰযোৰ ইমান লেতেৰা কিয়?
সীতা ঃ There is a গোবৰ চপৰা in my পদূলি, মই তাত পিছলি পৰিছিলো yesterday গধুলি।

শিক্ষক ঃ আজি তুমি স্কুললৈ অহাত ইমান পলম হ'ল কিয়?
সীতা ঃ বৰষুণ coming ছাতি তাতি nothing অ'ত পিছলিং, ত'ত পিছলিং, যেনেতেনে coming sir.

মিছ ছবিকুন নেহাৰ
স্নাতক প্ৰথম ষাণ্মাসিক





# যখিনীৰ বাতি

—মল্লিকা দেৱী
স্নাতক পঞ্চম ষাণ্মাসিক

আহাৰ মাহৰ ভৰ দুপৰীয়া। সংঘাতিক ৰ'দ। সেই অনুপাতে গৰম। ৰাস্তাই-ঘাটে কোনো মানুহ-দুনুহ নাই। প্ৰাণী জগতৰ আটাইবোৰ যেন নিতাল মাৰিছে। দুই-এটা উইচিৰিঙা পোকে কেৰ্কেৰাই আছে।

আইতাই ঘৰৰ মানুহবোৰৰ খোৱা বাচনবোৰ সামৰি সুঁতুৰি কৰি এটা ডাঙৰ পিতলৰ চৰিয়াত ভৰালে। মজিয়াখনো চাফচিকুণ কৰি বাচন ধুবলৈ গ'ল।

আমাৰ ঘৰৰ পিছফালৰ তামোল-বাৰীখনৰ এচুকত থকা পুখুৰীটোত আমি ক'ব পৰাৰ পৰাই পৰম্পৰাগতভাৱে চাউল ধোৱা, বাচন ধোৱা, গা ধোৱা ইত্যাদি চলি আহিছে। সেইদিনাও তামোল গছৰ মাজেৰে অকাই-পকাই যোৱা লুংলুঙীয়া ৰাস্তাৰে আইতাই বাচন-বৰ্তন লৈ গৈ আছে। পুখুৰী পাৰ পাবলৈ মাত্ৰ দহ খোজমান বাকী। এনেতে আইতাই পানীৰ খলকনি শুনি মূৰ দাঙি চাই এটা অদ্ভুত দৃশ্য দেখিলে।

লাহেকৈ এজোপা গছৰ আঁৰ লৈ বহু সময় চালে। আইতাই দেখিলে এজনী যখিনীয়ে এপাচি বাচন আনি খৰধৰকৈ ধুই আছে - পাৰত বহি আছিল এটা নাঙঠ কেঁচুৱা। যখিনীজনী কিচ্কিচিয়া ক'লা, ক্ষীণ আৰু ওখ। মূৰৰ চুলিবোৰ জধলা। হাত-ভৰিবোৰ ক্ষীণ, দীঘল দীঘল আৰু নখবোৰ দীঘল। নাকটো চেপেটা। চকু দুটা টলটকীয়া, গলটো চিচা। কুৎচ প্ৰকৃতিৰ ভয় লগা এগৰাকী মাইকী মানুহ।

তাই ইফালে-সিফালে পাৰাক-পিৰিককৈ চাই থাকোতে আইতাক অকনমান দেখিলে। অকনো পলম নকৰি খৰধৰকৈ বাচনবোৰ পাচিত ভৰাই গুচি গ'ল। কেঁচুৱাটোক হাতত ধৰি হাবিত সোমাল।

আইতায়ো গৈ সেই ঘাটতে বাচন ধুবলৈ আৰম্ভ কৰিলে। এনেতে দেখিলে এটা সুন্দৰ বান বাতি আইতাৰ হাতত লাগিল। ইমান চিক্চিকীয়া বাতিটো পাই ধুই পখালি আইতাই ঘৰলৈ লৈ আহিল। লগতে সযতনে সৰিয়হৰ ডুলিত সোমাই থ'লে।

সেইদিনাই সন্ধিয়া লাগি নিশাৰ ফালে সময়ে গতি কৰিলে। ঘোপমৰা এন্ধাৰ। আইতাহঁত ঘৰাঘৰি সোমাইছে। ঘৰৰ দৰ্জা বন্ধ কৰি ধিমিক-ধামাককৈ জ্বলি থকা কেৰাচিন তেলৰ চাকিৰ পোহৰত ৰন্ধা-বঢ়াৰ বাবে কিবা-কিবি যোগাৰ কৰি আছিল।

এনেতে দৰ্জাত কোনোবাই থপৰিয়াই দি শব্দ কৰিলে। আইতাই মাত লগালে—"কোন"?

উত্তৰত এজনী মাইকী মানুহৰ মাত শুনা গ'ল। 'হে বাই, মই যখিনী। দুপৰীয়া তোক দেখি মই ততাতৈয়াকৈ গুচি গ'লো মোৰ বাতি এটা ৰৈ গৈছিল। মই জানো তই লৈ আহিছ। গতিকে মোৰ বাতিটো দি বাই। নহ'লে যখে আহি গম পালে মোক মাৰিব।'

আইতাই ক'লে—'নহয়, তোৰ ভুল হৈছে, মই বাতিটো অনা নাই।'

যখিনীয়ে ক'লে—'নহয় বাই, তই মিছা মাতিছ। মই বাচন ধুই যোৱাৰ পাছতে তই ধুবলৈ গৈছ। তাৰপাছত এতিয়ালৈ তাত আৰু কোনো যোৱা নাই। তই এটা ল'ৰা সন্তানৰ লগত দিন কটাই আছ। মই তোক হিংসা নকৰো। তই মোক বাতিটো দে, নহ'লে যখে আহি মোক ঘৰৰ পৰা উলিয়াই দিব, বৰকৈ মাৰিব। গতিকে তই মোক ৰক্ষা কৰ আৰু যদি নকৰ মযো তোক কিন্তু সুদাই নেৰিম। দি বাই দি দুবাৰৰ তলেদি

বাহিৰলৈ বাতিটো উলিয়াই দি মই লৈ যাওঁ। আনৰ বস্তু লোভ কৰিব নাপায় বাই। সোনকালে দে।'

আইতাই ভাবিলে এইবিলাক দেও-ভূতৰ লগত জেদ ভাব কৰি লাভ নাই। মোৰ ল'ৰাটোক যদি কিবা অন্যায় কৰে তেনেহ'লে বৰ বেয়া কথা হ'ব।

এইবুলি ভৱিষ্যতৰ কথা ভাবি আইতাই সৰিয়হৰ ডুলিৰ পৰা বাতিটো আনি দুৱাৰ মুখৰ তলেদি বাহিৰলৈ ঠেলি পঠিয়ালে।

যখিনীয়ে বাতিটোলৈ হাত আগবঢ়াই দি ক'লে—'হে বাই, তই বাতিটো সৰিয়হৰ ডুলিত থৈছিলি। সেই কাৰণে মোৰ হাতখন পুৰিলে। তই যদি বেয়া নাপাব, তেনেহ'লে বাতিটো অলপ ধুই দে বাই।'

আইতাই পুনৰ বাতিটো আনি ভালকৈ ধুই দিলে। যখিনীয়ে নিমিষতে বাতিটো লৈ অন্তৰ্ধান হ'ল।

❖❖❖

**মহৎ লোকৰ বাণী**

দেহা ৰক্ষা কৰাতকৈ দেশ ৰক্ষা কৰাটো হৈছে সবাতোকৈ ডাঙৰ কাম। — *লাচিত বৰফুকন*

জাবৰ সাৰিলে যিদৰে ঠাই ডোখৰ পৰিষ্কাৰ হয়, তেনেকৈ ভুল স্বীকাৰ কৰিলে অন্তৰখন পবিত্ৰ হয়।

— *মহাত্মা গান্ধী*

নভবা নিচিন্তাকৈ প্ৰতিশ্ৰুতি নিদিবা, দিয়াৰ পিছত তাক জীৱন আহুতি দি হ'লেও ৰক্ষা কৰিবা।

— *মহাত্মা গান্ধী*

মনটো হ'ল মহাসমুদ্ৰ, ইয়াৰ অভ্যন্তৰত বহু সংখ্যক ৰহস্যময় আৰু অস্পষ্ট জগত সোমাই আছে।

— *কালাম*

শিক্ষা গ্ৰহণ কৰিলে মানুহৰ ভাব ধাৰা শুদ্ধ হয় আৰু মানুহ সুন্দৰ মনৰ গৰাকী হ'ব পাৰে।

— *জ্যোতিপ্ৰসাদ আগৰৱালা*

অতীতৰ ফালে চোৱাৰ প্ৰয়োজন নাই, আগফালে চোৱা, আমাক লাগে অসীম শান্তি, দুৰ্জেয় সাহস আৰু অসীম ধৈৰ্য, তেতিয়াহে আমি মহৎ কাৰ্য সাধন কৰিব পাৰিম। — *স্বামী বিবেকানন্দ*

কুসংস্কাৰেই হ'ল পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা। — *ড° সৰ্বপল্লী ৰাধাকৃষ্ণন*

কৰ্মই উপাসনা, হাঁহিয়েই জীৱন।

খাবৰ বাবে, পিন্ধিবৰ বাবে মানুহে সুন্দৰভাৱে যিহকে কৰে সেয়ে কৃষ্টি। — *বিষ্ণুপ্ৰসাদ ৰাভা*

যিজন দায়িত্বহীন তেওঁ সৌভাগ্যহীন। — *হজৰত মহম্মদ*

মানুহে যিমান কিতাপ পঢ়িবলৈ শিকে, সিমানেই ভাবিবলৈ শিকে। — *জৱাহৰলাল নেহৰু*

যাৰ দুই চকু ফুটিল, তেওঁ অন্ধ নহয়, যিজন নিজৰ দোষ ঢাকি ৰাখি আনৰ দোষ খুচৰি ফুৰে তেওঁহে প্ৰকৃত অন্ধ। — *মহাত্মা গান্ধী*





# মোৰ জীৱন গীতৰ মন্দিৰ

—দেবজানী শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

বসুমতীৰ বকুত চকু মেলি জননীৰ পথালি কোলাত জগতৰ উমান পালোঁ। বাস্তৱৰ ৰূঢ় পথাৰত বগাবলৈ আয়ে ৰচিলে কৌশল। মানুহ হোৱাৰ পাঠ শিকিবলৈ অনুপ্ৰেৰণা যোগালে। আইৰ মুখৰ পৰা ঝংকাৰিত হ'ল— দিগ্ দিগ্ দিগ্ দিগ্। জীৱনৰ পথত বাট বুলিবলৈ আইৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি ঠেকেচ ঠেকেচ পৰিলো। কান্দিলো বহুত। আইৰ প্ৰচেষ্টা চলি থাকিল। উদ্‌গনি দিবলৈ মুখত স্তন দি নিচুকালে। গা মোহাৰি মোহাৰি মোক টোপনি নিয়াবলৈ গালে—

"আমাৰে মইনা শুব এ
বাৰীৰে বগৰী ৰুব এ
বাৰীৰে বগৰী বুটলি খাব
আমাৰ মইনা টোপনী যাব।"

লাহে লাহে সময়ে বাগৰ সলালে। এমা-ডিমা অৱস্থাৰ পৰা আইৰ আঁচলত ধৰি ঘৰৰ চৌহদ গচকিলো। পিতাইক অনুসৰণ কৰি গোটেই ঘৰ চলাথ কৰি ফুৰিছিলো। মোৰ যি ভাল লাগিছিল সেই বস্তুবোৰ আনি দিবলৈ আমনি কৰিব ধৰিলো। পিতাই গছত উঠা দেখি হাত চাপৰি মাৰি মাৰি কিৰিলি পাৰিলো। আইৰ বুকুৰ আমঠু হৈ আইক পাগল কৰি দিছিলো। দুষ্টালি কৰিছিলো, পিতাইয়ে মাৰিবলৈ গৈয়ো মাৰিব পৰা নাছিল, কোলাত লৈ চুমা খাই বুজাইছিল সোণজনী, এইবোৰ নকৰিবা, দুষ্টালি কৰিলে বাৰিৰ পৰা বান্দৰ আহি তোমাক লৈ যাব। মই ভয় কৰিছিলো যদি সচাই পিতাই কোৱাৰ দৰে হয়। লাহে লাহে আইৰ, পিতাইৰ পৰা লুকুৱাই গোবৰৰ মাজৰ পৰা কেচুঁ উলিয়াই পথাৰৰ পুখুৰিত লগৰবোৰৰ লগত বৰশী টোপাই তৃপ্তি লভিলো। আইয়ে গম পাই এছাৰিৰে পিটিছিল।

স্কুলৰ পৰা আহি আম, লিচু, তামোল এইবোৰ পাৰিবলৈ গছত উঠি বান্দৰৰ দৰে বগাই ফুৰি আনন্দ পাইছিলো। এই দুষ্টালিবোৰ কৰি ভাল লাগিছিল আৰু ঘৰত আহি গালি শুনিছিলো। স্কুললৈ যাবলৈ মন নগলেও স্কুলত থৈ আহিছিল। মনেই বহা নাছিল, যেতিয়া অংক ছাৰে অংক কৰিব কৈছিল, তেতিয়া ভাবিছিলো আজি ঘৰলৈ গৈ আইতাহঁতৰ বাৰীৰ লেচু পাৰিব যাম, বহুত ভাল লাগিব। ইঘৰ-সিঘৰ বিয়া-সকাম হ'লে গাঁৱৰ ছোৱালী, বোৱাৰীয়ে নাম গোৱা শুনি তবধ মানিছিলো।

শৈশৱৰ দেওনা পাৰ কৰি কৈশোৰত ভৰি থ'লো। আইয়ে বহুত কষ্ট কৰি ডাঙৰ কৰিছিল। মই যিটো লাগে বুলিছিলো সেইটো আনি দিছিল। আই-পিতাইয়ে হাজিৰা কৰি হ'লেও মোক অকনো কষ্ট দিয়া নাছিল, যি বিছাৰো তাকেই দিছিল। পিতাইৰ কাষৰ পৰা লাহে লাহে এৰাই চলিব ল'লো। তেওঁৰ বাঘৰ চাৱনিৰ পৰা দূৰত থাকিলো। লগৰবোৰৰ লগত খেল-ধেমালী কৰি সময় পাৰ কৰিছিলো। স্কুললৈ গৈয়ো আনন্দ পোৱা হৈছিলো।

লাহে লাহে ঘৰৰ পৰা ওলাই বাস্তাত থিয় হৈ ইফালে সিফালে চকু ফুৰাবলে ল'লো। সৰু সৰু মাতেৰে লগৰীয়াক মাতিবলৈ ল'লো। আইক অনুসৰণ কৰি ঘৰৰ কামবোৰ কৰিব ল'লো। আই-পিতাইৰ দুখ-কষ্টবোৰ উপলব্ধি কৰিব পৰা হ'লো।

সকলো ফালৰ পৰা আইৰ লগত সহযোগ দিলো। ছাগলীজনীক পানী খোৱাবলৈ গৈ লগৰবোৰৰ লগত টেঙা জুটি ল'লো।

দিন, মাহ, বছৰ পাৰ হৈ গৈ থাকিল। স্বপ্ন দেখাৰ বতৰে ভুমুকি মাৰিবলৈ ধৰিলে। চকুৰ আগত সকলো বস্তু ৰঙীণ হৈ জিলিকি পৰিল। সপোনবোৰ বাস্তৱত ৰূপায়িত কৰিবলৈ মন গ'ল। জীৱনৰ আলিদোমোজাৰ ক্ষণত ফুলৰ প্ৰতি আকৰ্ষণ বাঢ়িল। জোনাক নিশা আকাশৰ তলত বহি কবিতাৰ সৈতে মিতিৰালী পাতিলো। মনৰ পৰিকল্পনাৰে ফুলনি এখন পাতিবলৈ ধৰিলো। আৰু বৰ দুখেৰে বহতো কষ্টেৰে মোৰ বাগিছাখনৰ প্ৰথম ফুলৰ কলিৰ 'মৌ' পাণ কৰিবলৈ অহা ভোমোৰাক হৃদয়ত 'তুমি' হিচাপে ৰাখিলো। সকলো মূহুৰ্তত বহুত ধৰণৰ চিন্তা আহিব ধৰিছিল। মোৰ পিতাই, আইয়ে চিন্তা কৰিবলৈ ধৰিছিল মোক লৈ। বহুতো কষ্টেৰে মোক ডাঙৰ কৰি ইমানখিনি পৰ্যায়লৈ আনিছিল। সেয়ে মোক লৈ ব্যস্ত আছিল। মোৰ প্ৰতিটো কথা আইয়ে জানিবলৈ আগ্ৰহ কৰিছিল। আচলতে মই গম পাইছিলো এজনী ছোৱালীক ডাঙৰ কৰি জীৱনৰ সকলো ৰঙেৰে ৰঙীন কৰি তুলিবলৈ কিমান কষ্টকৰ আছিল। মই আইৰ দুখৰ কথা বুজি পাইছিলো। মাজে মাজে আইৰ কথাবোৰ ভাবি চাও। পিতাইৰ কষ্ট হোৱা দেখি মনত যে কিমান ধৰণৰ কথাই পাগুৰি ফুৰিছিল।

উত্তলা বসন্তৰ বতাহ লাগিছিল। যৌৱনে আগচি ধৰাৰ উপক্ৰম কৰিলে। চিন্তা, চেতনা আৰু ঘটনা প্ৰবাহে দেহক বুজিবলৈ সকীয়াই থকা হ'ল। মোৰ হৃদয়ত সেই 'তোমাৰ' কথাকেই অন্তৰভেদি ওলাই আহি থকা হ'ল।

বাস্তৱৰ পথাৰত সাতুৰিবলৈ হ'ল জীৱনৰ লগত এই 'তুমি' সম্পৰ্ক অতি বিস্তৃত ৰূপত প্ৰতিফলিত হ'ব লাগিব। বহু কথা ভাবিলে এনে লাগে যেন 'তুমি' শব্দটোত এটা 'ৰহস্য' থাকে। ইয়াকে কেন্দ্ৰ কৰি গৈ থাকে জীৱনৰ প্ৰতিটো মুহূৰ্ত।

অৱশেষত মোৰ পূজনীয়া আই মোৰ অনুভৱেৰে তোমালৈ....

সেইদিনা তাঁতশালত বহি কাপোৰ ব'বলৈ এৰি কি সপোন বছি আছিলা ??

মই গম পাইছিলো আই....  
ভাল পাওঁ তোমাক, নাপাহৰো আজীৱন  
কেনেকৈ,  
কেনেকৈ পাহৰো অ'  
তোমাৰ নিস্বাৰ্থ মৰম  
কেনেকৈ পাহৰো ?  
নিজে নাখাই যে,  
দিছিলা আমাক ভাগৰো ভাগৰ  
শুকান ভাত  
যেতিয়া চকুলোৰে হৈছিল পনীয়া।  
মই বৰকৈ কান্দিছিলো জানা  
বুকুৰ মাজত সোমাই  
তেতিয়া তুমি মৰমেৰে বুজাইছিলা।  
মই আজি হে বুজিচো আই,  
মোৰ আগ মূৰৰ  
চুলি সিদিনা কিয় তিতিছিল।  
আই ইমান দুখৰ মাজতো  
কেনেকৈ আছিলা তুমি ??  
তুমিতো নাছিলা দুখিয়া ঘৰৰ  
তথাপিতো নাছিল কোনো  
অভিযোগ মোৰ পিতাইৰ ওচৰত।।

❖❖❖